নোনকালে দূৰ কৰিব। অধ্যক্ষ মহোদয়, আমাৰ এই ৰাজধানী অহাৰ লগে লগে আমাৰ কিছুমান সঞ্চালকৰ অফিচ গুৱাহাটীলৈ আহিছে আৰু গুৱাহাটীৰ নানা ঠাইত তেওঁলোকে অফিচ কৰি আছে, ইয়াৰ ফলত আমাৰ সৰ্ব্বসাধাৰণ ৰাইজৰ বহুতো অসুবিধা হৈছে। সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে, সঞ্চালকৰ অফিচ বিলাক অনতিপলমে দিচপুৰত নিৰ্ম্মানৰ কাম আৰম্ভ কৰি দিচপুৰলৈ আনিব লাগে। যাতে সৰ্ব্বসাধাৰণ ৰাইজৰ সুবিধা হয়।

অধ্যক্ষ মহোদয়, আজি পাঞ্জাৱ দুভাগ হৈ গল হাৰিয়ানা আৰু পাঞ্জাৱ। দুভাগ হোৱা স্বত্বেও আজি তাৰ ৰাজধানী চন্দিগৰতে আছে। কিন্তু তাত দুজন গৰ্ভনৰ আছে এজন পাঞ্জাৱত আৰু আনজন হাৰিয়ানাত। আমাৰ অসমতো পাহাৰী অঞ্চল কিছু আছে। আজি আমাৰ গৰ্ভনৰ মেঘালয় আৰু নগালেণ্ডৰো গৰ্ভনৰ আৰু আমাৰ লগত নথকা ত্ৰিপুৰাৰো গৰ্ভনৰ। ইয়াৰ ফলত আমি ইয়াকে বুজিব পাৰিছো যে, আমাৰ অসমৰ মানদণ্ড নষ্ট হৈ গৈছে। গতিকে আমাৰ অসমতো এজন স্বকীয়া গৰ্ভনৰ লাগে। আজি মেঘালয় আমাৰ পৰা আতৰি গল, নগালেণ্ড আমাৰ পৰা আতৰি গল, গতিকে আমাৰ সীমা বিবাদ হলেও গৰ্ভনৰে একো মাত মাতিব নোৱাৰে। অসমৰ কেবিনেটৰ দিচিচন আৰু মেঘালয়ৰ কেবিনেটৰ দিচিচনৰ বিৰোদ্ধে একো মাত মাতিব নোৱাৰে। গতিকে এজন আচুতীয়া গৰ্ভনৰ অতি প্ৰয়োজন। গতিকে এজন বেলেগ গৰ্ভনৰৰ কাৰণে ভাৰত চৰকাৰলৈ আমাৰ চৰকাৰে লিখিব লাগে।

মহোদয়, আমাৰ অল, ইন্দিয়া, কংগ্ৰেছে এটা নীতি গ্ৰহন কৰিছিলো। যে যোৱা খাৰিফ বতৰৰ পৰা আমাৰ ধান চাউলৰ ব্যৱসায়তো ভাৰতৰ গোটেই ৰাজ্যবিলাকতে লব। কিন্তু দেখা গল অসমৰ বাহিৰে আন আন ৰাজ্যই এই কাম কৰিবলৈ সাহ নকৰিলে। একমাত্ৰ অসমেই আজি ধান চাউলৰ পাইকাৰী ব্যৱসায় হাতত লৈছে। এই ক্ষেত্ৰত বহুতো অপপ্ৰচাৰ হোৱা দেখা গৈছে। আৰু এই ধৰণেও খবৰ ওলাইছে যে অসমত ধান চাউলৰ পাইকাৰী ব্যৱসায় লোৱাৰ কাৰণেই ধান চাউলৰ দাম বাঢ়ি গৈছে। আজি বঙ্গদেশত বা বম্বেত পাইকাৰী ব্যৱসায় লোৱা হোৱা নাই। বম্বেত চাউলৰ কেজিত ৭ টকা আৰু বঙ্গদেশত কেজিত ৫ টকা। অসমত ৰেচন দিয়া হৈছে আৰু খোলা বজাৰতো চাউলৰ দাম কিলোত ২ টকাৰ বেছি নহয়। গতিকে আমি ধান চাউলৰ পাইকাৰী ব্যৱসায় হাতত লোৱাৰ কাৰণে যে চাউলৰ দাম বাঢ়িছে এই কথাতো সত্য নহয়।

উপাধ্যক্ষ মহোদয়, আজি হয়তো আপুনিও কাগজত দেখিছে যে, আমাৰ ইয়াত মোভমেণ্ট ৰেচট্ৰিকচন হৈছে, কিন্তু ভাৰতৰ আন ঠাইত হোৱা নাই। আজি অসমতো পাইকাৰী ব্যৱসায় হাতত নোলোৱা হলেও মোভমেণ্ট ৰেচট্ৰিকচন নহল হয়। পাইকাৰী ব্যৱসায় চৰকাৰে হাতত লোৱাৰ কাৰণেই আজি আমাৰ অসমত ধান চাউলৰ মোভমেণ্ট ৰেচট্ৰিকচন হৈ আছে। গতিকে এই পাইকাৰী ব্যৱসায় ভৱিষ্যতে ভাল হব বুলিয়েই মোৰ বিশ্বাস।

উপাধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ প্ৰায় ৬০ খন কো-অপাৰেটিভ চচাইটি গঠন হৈছে। ইয়াৰোপৰি আমাক কোৱা হৈছিল যে, যদি ১০ হাজাৰ চেয়াৰ বিক্ৰী কৰা হয় তেনেহলে তেওঁলোকক চৰকাৰে ১০ হাজাৰ টকা দিব। আৰু লগতে বেংকৰ সুবিধা কৰি দিব। আৰু বেংকৰ যিবিলাক সা-সুবিধা সমবায়

প্ৰতিষ্ঠান সমূহক দিয়াৰ কথা আছিল সেই সুবিধা বেংকৰ পোৱা নাই। । যদি চৰকাৰে এই সমবায় প্ৰতিষ্ঠান সমূহক সহায় নকৰে তেতিয়াহলে ভৱিষ্যতে এই সমবায় প্ৰতিষ্ঠান সমূহ তিকি থাকিব পাৰিব বুলি আশা কৰিব নোৱাৰি। সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিছোঁ যি টকা-পইচা দিম বুলি চৰকাৰে প্ৰতিশ্ৰুতি দিছিল সেই টকা সোনকালে দিয়াৰ ব্যৱস্থা কৰে আৰু লগতে বেংকৰ সকলো সা-সুবিধা আগবঢ়ায়।

উপাধ্যক্ষ মহোদয়, এই সদনতে মোৰ এটা প্ৰশ্নৰ উত্তৰত মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে ৯ টা প্ৰোগ্ৰেমত লেণ্ড চেটেলমেণ্ট আৰম্ভ কৰা হৈছে কিন্তু মই জনাত মোৰ সমষ্টিতে কিছুমান অতি সৰুসুৰা বেদখল চলি আছে সেই বেদখলী বোৰক উচ্ছেদ কৰা হোৱা নাই, মই চৰকাৰক অনুৰোধ জনাইছোঁ যেন সেই এলেকাবোৰত মাটিহীন মানুহক সোনকালে পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

ৰাজ্যপালৰ ভাষনত এটা কথা উল্লেখ কৰা নাই অথচ যিটোৰ বিষয়ে মুখ্য মন্ত্ৰী মহোদয়ে যোৱা বছৰ মিটিংয়ে মিটিংয়ে কৈ ফুৰিছিল সেই বিষয়টো আছিল কৃষি নিগম কিন্তু সেই নিগমৰ বিষয়েও ৰাজ্যপালৰ ভাষনত কোনো উল্লেখ নাই। কৃষি নিগমৰ ক্ষেত্ৰত মই কও যে ১৯৬৪ চনতেই প্ৰায় ৯ হাজাৰ পিজিয়াৰ আছিল, এই পিজিয়াৰ বিলাকত যিবিলাক মাটিহীন মানুহ আছে সেই বিলাকক মাটিদিয়াৰ ব্যৱস্থা কৰিব লাগে। কিন্তু আজিলৈকে সেইবিষয়ে একো কৰা নহ'ল। সেই কাৰণে মই অনুৰোধ জনাইছোঁ মুখ্য মন্ত্ৰী মহোদয়ে যেন মোৰ নোটটো অনুসন্ধান কৰি সেই মানুহবিলাকে যাতে মাটি পায় তালৈ চকু দিব লাগে।

অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী মহোদয়ে গোৱালপাৰাৰ গণ্ডগোলৰ কথা কৈছিল আৰু সেই বিষয়ে এটা বিবৃতি দিছে, আজি ১ বছৰ ধৰি এই গাৰোসকলে দক্ষিন কামৰূপ আৰু দক্ষিন গোৱালপাৰাত বাস কৰা মানুহবিলাকক উচতাইছে যে তেওঁলোকে যাতে মেঘালয়ৰ লগত চামিল হৈ যায় কিয়নো তেওঁলোকে আজি ভৈয়ামত থাকি ট্ৰাইবেলৰ নামত কোনো সা-সুবিধা পোৱা নাই কিন্তু তেওঁলোকে যদি পাহাৰৰ লগত চামিল হয় তেতিয়াহলে তেওঁলোকে ট্ৰাইবেলৰ সকলো সা-সুবিধা আৰু 'হিল ট্ৰইবেলৰ' সকলোখিনি সা-সুবিধা লাভ কৰিব পাৰিব, সেই কাৰণেই মই বাজেট বক্তৃতাত কৈছিলো যে ভৈয়ামত থকা সকলো ট্ৰাইবেলে যাতে হিলত থকা ট্ৰাইবেল বিলাকৰ নিচিনা সুবিধা পায়, ৰাজনৈতিক সা-সুবিধা পায় আৰু অন্যান্য সকলো বিষয়তে সুবিধা পায় তাৰ বাবে চৰকাৰে যেন চিন্তা কৰে।

আজি আকৌ দেখা গৈছে যে মেঘালয় ৰাজ্যই বা মেঘালয় চৰকাৰে অসম আৰু মেঘালয় ৰাজ্যৰ সীমাৰ ক্ষেত্ৰত এটা বেলেগ প্ৰস্তাৱ লব আৰু অসম চৰকাৰে এটা বেলেগ প্ৰস্তাৱ লব ফলত দুয়ো ৰাজ্যৰ মাজত এটা মনোমালিন্যৰ সৃষ্টি হব আৰু সেই ক্ষেত্ৰত আমাৰ ৰাজ্যপাল জনে মাত মাতিব নোৱাৰিব, সেইকাৰণে মই অনুৰোধ কৰিছোঁ যাতে অসম ৰাজ্যৰ কাৰণে এজন আচুতীয়া ৰাজ্যপাল লোৱাৰ ব্যৱস্থা কৰে। তাৰ পিছত আজি চৰকাৰে আমাৰ এল, পি স্কুল বিলাকৰ শিক্ষক সকলক লব খোজা কথাটোত আমি সুখী হৈছোঁ। কিন্তু বিল্ডিং বিলাক নিনিয়ে বুলি কৈছে আৰু বছৰি বছৰি গ্ৰাণ্ট দি থাকিব, একোখন এল, পি স্কুলত ২।৩ হাজাৰ কৈ টকা দিয়া হৈছে, এনে ক্ষেত্ৰত চৰকাৰৰ লাখ লাখ টকা খৰচ কৰা হৈছে, আৰু যিবিলাক টকা চৰকাৰে গ্ৰাণ্ট হিচাবে দিয়ে

সেইবিলাক ভাল ধৰণে খৰচ নহয় কিয়নো গুৱাহাটীলৈ বা আন আন ঠাইলৈ অহাযোৱা কৰোতেই টি, এ, দি, এ আদিত খৰচ হৈ যায় আৰু অনাহকতে সেই টকা-পইচাবোৰ খৰচ হৈ যায়। গতিকে মই কব বিচাৰিছোঁ এই গ্ৰাণ্টৰ টকা বিলাক নিদি চৰকাৰে স্কুল ঘৰবিলাক নিজৰ হাতলৈ অনাৰ ব্যৱস্থা কৰিব লাগে আৰু সম্ভৱ হলে নতুন স্কুল ঘৰ নিৰ্ম্মান কৰি দিব লাগে। এই স্কুল ঘৰবোৰ নিৰ্ম্মান বা নিজৰ হাতলৈ অনাৰ সময়ত একোটা প্লেন 'ফ্ৰেইজ'ত আনিব লাগে যাতে এই বছৰ ১০০ টা, তাৰ পিছৰ বছৰ ২০০ টা, এইধৰণে লব লাগে তেতিয়াহলে স্কুল ঘৰৰ অৱস্থা বহুখিনি ভাল হব। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিবলৈ বিচাৰিছোঁ যাতে চৰকাৰে স্কুলবোৰ লোৱাৰ লগতে স্কুল ঘৰবোৰো চৰকাৰৰ হাতলৈ আনে। আমি ভাল পাইছোঁ চৰকাৰৰ পৰিবহন বিভাগে আৰু ৩০০ কিলোমিটাৰ ৰাষ্টা জাতীয়কৰণ কৰিবলৈ বিছাৰিছে কিন্তু যিবিলাক ৰাস্তা লোৱা হৈছে সেইবিলাক লাইনত এতিয়া গাড়ী নচলে আৰু সেইবিলাক ৰাস্তা এতিয়া 'উইড্ৰ' কৰা হৈছে, মোৰ সমষ্টিতে ১৯৭২ চনত এটা ৰাস্তা ললে সেই ৰাস্তাতো হ'ল 'চিংৰা' আৰু 'হেকৰাৰ' মাজৰ ৰাস্তাতো, কিন্তু আজি সেই ৰাস্তাতো ৮।৯ মাহ মান এনেয়ে অচল হৈ পৰি আছে সেই ৰাস্তাত এতিয়া গাড়ী চলা নাই কিন্তু নিগমে তাত কাম কৰা কৰ্ম্মচাৰী সকলক বিনা কামতে দৰ্ম্মহা পাতি দি আছে আৰু কোনো কাম নোহোৱাকৈ সেই 'ষ্টেচনটো'ত টকা পইচা খৰচ কৰি আছে। গতিকে মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছোঁ চৰকাৰে যাতে নতুনকৈ আন আন ৰাস্তা বা নতুনকৈ ৰাস্তা মুকলি কৰা বা জাতীয়কৰণ কৰাৰ আগতে আগৰ যিবিলাক ৰাস্তাত বৰ্ত্তমান গাড়ী চলা নাই, যিবিলাক ৰাস্তা অচল হৈ গৈছে বুলি উইড্ৰ কৰা হৈছে সেইবিলাক ৰাস্তা ভালদৰে 'ষ্টেবিলাইজদ্' কৰি পুনৰ চালু কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি আৰু এটা দৰকাৰী কথা হল সেইটো হ'ল শ্বিলং গুৱাহাটী ৰাস্তাটো সোনকালে মেঘালয়ৰ হাতলৈ যোৱাৰ সম্ভাৱনা আছে তেনে ক্ষেত্ৰত আমাৰ চৰকাৰৰ এই ৰাস্তাৰ পৰা হোৱা উপাৰ্জনৰ পৰা যথেষ্ট লোকচান হব সেইকাৰণে মই আগতেই কৈছিলো এই যে গুৱাহাটী আৰু গোৱালপাৰাৰ মাজৰ ৰাস্তাতো অতি সোনকালে জাতীয়কৰণ কৰি তাক আৰু দুগুন উন্নত কৰি যানবাহনৰ সুবিধা কৰি তুলিব লাগে কিয়নো সেই ৰাস্তাটো অতি ব্যস্ত ৰাস্তা, প্ৰতি ৫ মিনিটৰ অন্তৰে অন্তৰে সেই ৰাস্তাত নিগমৰ গাড়ী চলাৰ উপৰিও আন আন গাড়ী অতি সঘনে চলে কিয়নো সেই অঞ্চলত ৰেইলৰ বা জাহাজৰ তেনে কোনো বিশেষ ধৰণৰ সুবিধা নাই, গতিকেই সেই ৰাস্তাটো জাতীয়কৰণ কৰি তাক ভাল ধৰণে উন্নত কৰিলে শ্বিলং গুৱাহাটী ৰাস্তাৰ পৰা হোৱা উপাৰ্জনতকৈ বেচি উপাৰ্জন কৰিব পৰা যাব আৰু তাৰ পৰা বহুখিনি লাভ হব। গতিকে মই পৰিবহন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক এই বিষয়ে ভালধৰণে চিন্তা কৰি কামত আগবাঢ়ি যাবলৈ অনুৰোধ কৰি পুনৰ ৰাজ্যপালৰ ভাষণৰ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Suranjan Nandi :** মাননীয় অধ্যক্ষ মহোদয়, রাজ্যপালের ভাষনের উপর বক্তব্য রাখতে গিয়ে আমি বলছি যে রাজ্যপালের ভাষন যদিও আশা ভরসার ভরপুর কিন্তু বিগত দুই বৎসরের অভিজ্ঞতা থেকে বলছি যে আমি খুব আশাবাদী নই। কারন বিগত দুই বৎসরে আমরা যে ভাবে এই রাজ্যের আশা ভরসার উপর

কাজ করেছিলাম কার্য্যক্রমের দিক থেকে তা হতাশা ব্যক্তজনক বলে আমি ভাবি। তবুও আশা করে বলি যে আগামী পঞ্চবার্ষিক পরিকল্পনায় এই রাজ্যে আমাদের যে আশা আকাংখা আছে তা পূরন হবে এবং এই তরফ থেকে আমি রাজ্যপালের ভাষন পূর্ণ ভাবে সমর্থন করছি।

প্রথমে আমি বলছি যে, আমার বন্ধু শ্রীচৌধুরী মহাশয় কিছুক্ষন আগে বলেছিল যে, আমাদের জন্য একান্ত আলাগাভাবে একজন রাজ্যপালের দরকার। আমি তার এই প্রস্তাব আন্তরিক ভাবে সমর্থন করি। কারন, প্রশাসনের ক্ষেত্রে রাজ্যপালের ভূমিকা যদিও Figure head তথাপিও রাজ্যপালের কিছু দায়িত্ব আছে। এই দিক থেকে যদি আমরা বিচার করি তাহলে দেখি আসামের যিনি রাজ্যপাল, তিনি মেঘালয়, মনিপুর, নাগাল্যাণ্ড, ত্রিপুরা, মিজোরাম প্রভৃতিরও রাজ্যপাল। তিনি বিভিন্ন রাজ্যের রাজ্যপাল,

( A Voice : এখন মন্ত্রী না হয়ে কি রাজ্যপাল হতে চান ? )

এখন প্রশ্ন হলো যে বিভিন্ন রাজ্যের রাজ্যপাল হিসাবে তার ভূমিকা কি ? আসাম বিশেষ ভাবে সীমান্ত সমস্যা জর্জরিত। একথা অস্বীকার করার কোন উপায় নাই যে, এই সব সমস্যা থেকেই আসাম বিছিন্ন হয়ে বিভিন্ন রাজ্যের সৃষ্টি হয়েছে। এই সমস্যা যদি আরও প্রকট হয়ে উঠে তাহলে ভবিষ্যতেও হয়ত আসাম আরও বিছিন্ন হতে পারে। আজ মিজোরাম ও আসামের মধ্যে যে ভাবে সীমান্ত সমস্যা সৃষ্টি হয়েছে, তাতে রাজ্যপালের ভূমিকা কি হবে ? আজ যদি মিজোরাম বিধান সভায় সর্বসম্মত ভাবে প্রস্তাব পাশ হয় যে, আসামের কোন একটা অঞ্চল মিজোরামের অন্তর্ভূক্ত হওয়া উচিত, তখন সেক্ষেত্রে রাজ্যপাল কি ব্যবস্থা গ্রহণ করবেন এবং কি বক্তব্য রাখবেন এটা একটা সমস্যা হয়ে দাঁড়াবে। এই যে একটা জটিল সমস্যা, তাকে এড়াতে হলে আসামের জন্য আলগা রাজ্যপালের প্রয়োজন এবং এই মর্মে একটি সিদ্ধান্ত গ্রহন করে ভারত সরকারের কাছে একটি প্রস্তাব পাঠানো উচিত বলে আমি বিবেচনা করি।

রাজ্যপালের ভাষনে Law & order সম্পর্কে যে কথাগুলি আছে "attempts were made by certain groups in some parts of the State, and especially in Mangaldoi and Kokrajhar Subdivisions to cause disharmony in the friendly relations between different sections of people".

এই দিক থেকে সরকার যে সব ব্যবস্থা অবলম্বন করেছেন তা সন্তোষজনক এবং এই রকম বিছিন্নতা বাদকে আর প্রশ্রয় দেওয়া উচিত নয়। তাছাড়া, যে সব জায়গায় এই ধরনের আন্দোলন মাথাচাড়া দিয়ে উঠেছে তাকে যেন সরকার দৃঢ় হস্তে দমন করেন এবং একথা যে কোন 'Responsible' নাগরিকের সমর্থন করা উচিত। Mr. Narzary তার ভাষনে বলেছেন যে, কোকড়াঝাড়ে থেকে অনেক অত্যাচার অনাচার হয়েছে। যাই হোক আমরা যে খবর পেয়েছি সেটা হলো, এই যে উদয়াচলের নামে যে আন্দোলন সেখানে শুরু হয়েছে এবং যেভাবে নানারকম প্রতিক্রিয়াশীল শক্তি এই আন্দোলন কে মদত দিয়ে চলেছে এসবই এই জটিলতা সৃষ্টি করেছে। কারন আসামে শুধু এখন উদয়াচলের আন্দোলনই চলছে না, স্থানে স্থানে উজমি অসম রাজ্য পরিষদ ও চেষ্টা করছে

কি ভাবে তারা ভবিষ্যতে বিচ্ছিন্নতাবাদী আন্দোলনে নামতে পারে। তাছাড়া কাছারেও একদল লোক separation এর জন্য ভিতরে ভিতরে প্রস্তুতি চালাচ্ছে। তাছাড়া গত কয়েকদিন আগে গারো পাহারের কিছু অংশ মেঘালয়ের সঙ্গে যুক্ত করার জন্য বিরাট আন্দোলন হয়েছে। এই ভাবে বিভিন্ন শক্তি আসামকে বিচ্ছিন্ন করার যে প্রচেষ্টা চালিয়েছে, যে কোন শক্তি দিয়ে আসাম সরকারের তা দমন করা উচিত বলে আমি মনে করি।

রাজ্যপালের ভাষনে Special vigilence Committee র কথা বলা হয়েছে। এই vigilence Committ কতটা কাজ করেছে আমি জানি না। তবে একটা কথা বলব যে কাছার জেলায় যেন Chief Minister এর vigilence cell এর কার্য্যক্রম প্রসারিত করা হয় কারন কাছাড়ে কতগুলি জায়গায় বিভিন্ন বিভাগের প্রশাসনিক উৎপাতের উপশম প্রয়োজন এবং তার জন্য Chief Minister এর vigilence cell কাছাড়ে যেন প্রাসরিত করা হয়। এ বিষয়ে আমি মুখ্যমন্ত্রী মহাশয়ের কাছে অনুরোধ করছি, বিশেষ ভাবে আমি রাজস্ব বিভাগের অফিস গুলির কার্য্যকলাপের কথা উল্লেখ করবো কারন এর ফলে যেখানে জনসাধারন অতীষ্ঠ হয়ে উঠেছে। সাধারন কাজে সেখানে জনসাধারনকে পয়সা দিতে হয়। এ বিষয়ে অনেক চিঠিপত্র লেখা লেখি স্বত্বেও কোন ফল হয়নি। তাদাড়া প্রসাসনিক দুর্নীতিতে ব্যবস্থা অবলম্বন করার দায়িত্ব আমাদের উপর নয়। অথচ আমরা তাদের কাছে ব্যবস্থা অবলম্বন করার কথা বলি তারা কিছুই করেন না। "Bureacracy will not fight the bureacrats".

সুতরাং জন প্রতিনিধি হিসাবে এটা আমাদের দায়িত্ব এবং কর্তব্য। আমি অনেক সময়ে এ বিষয়ে ভাবি অথচ করার কিছু নাই। তাই এই সদনে আমি আমার বক্তব্য রাখি। This is the correct forum here.

আমি রাজস্ব মন্ত্রী মহোদয়কেও অনুরোধ করিছি যে, তিনি যেন রামকৃষ্ণ নগরের রাজস্ব বিভাগের অফিসগুলির দিকে তীক্ষ্ণ দৃষ্টি দেন।

Mr. Dy. Speaker : How long do you want ?

Shri Suranjan Nandi : আমার আরও কথা বলবার আছে, আমার আরও সময় লাগবে স্যার।

Mr. Dy. Speaker : The House stands adjourned till 2.30 pm.

( After lunch the House reassembled at 2.30 with the Dy. Speaker in the chair

Shri Suranjan Nandi : অধ্যক্ষ মহোদয়, এখন আমি যে বিষয়ের উল্লেখ করাই সেটা হলো Agricultural Development সম্পর্কে কৃষি বিভাগের কার্য্যকারীতা অর্থাৎ কৃষি বিভাগের যে সব পরিকল্পনা হাতে নেওয়া হয়েছিল বিশেষতঃ বিগত Rabi crop পরিকল্পনায় প্রচুর অর্থব্যয় করা সত্ত্বেও তা যে ভাবে ব্যর্থতায় পর্যবষিত হয়েছে যে সম্পর্কে আমি ২।৪ টি কথা বলে শেষ করব। সমগ্র আসামে Rabi crop Programme সাফল্য লাভ করেছে কি না সেটা কৃষি মন্ত্রী মহোদয় বলতে পারবেন। তবে আমি শুধু করিমগঞ্জ মহকুমার কথা বলব যে, সেখানে এই Programme ব্যর্থতায় পর্যবলিত হয়েছে। এই ব্যর্থতায়

জন্য আমরা গণ প্রতিনিধি এবং স্থানীয় প্রশাসক গনকে শুধু দায়ী করলে চলবেনা। কারণ, এই ব্যর্থতার পিছনে যে গুলো কারণ আছে যেগুলো হলো, সরকার থেকে বীজ সার ও প্রয়োজনীয় irrigation অর অভাব। আমি নিজেও একটি মহকুমার Agricultural Advisory Committee র Chairman এবং সেই হিচাবে এই পরিকল্পনাকে সার্থক রূপ দিতে আন্তরিক চেষ্টা করেছি। যতটা সভা আমি আহ্বান করেছি প্রত্যেকটিতে Seeds, Machinaries ইত্যাদির জন্য সরকারের কাছে অনুরোধ জানিয়েছি। এমন কি এসব ব্যবস্থা দি গ্রহন করার জন্য আমরা প্রস্তাব গান করে সরকারের কাছে পাঠিয়েছি। কিন্তু এসবের কতটুকু গুরুত্ব দেওয়া হয়েছে আমি জানিনা কারণ আমরা যখন Seeds এর কথা বলেছি তখন সরকার বলেছেন, "পারবনা" যখন বলেছি Power pump এর কথা, তখন বলেছেন, "তা দেওয়া সম্ভব নয় কারণ প্রায় সব গুলিই নষ্ট হয়ে গিয়েছে'। সারও দেওয়া হয়নি। তাছাড়া Sub-Divisional Agricultural Advisary Committee কে যে রকম কোন Fund দেওয়া হয়নি অথচ মস্তাড় একটা দায়িত্ব দেওয়া হয়েছে।

কাছার জেলার শনবিল অঞ্চলে প্রায় ২১ হাজার বিঘা জমিতে বুরো ধান হয় এবং এই compact area তে প্রায় কয়েক লক্ষ ম'ন ধান ও চাল হয়। অথচ জলের অভাবে তারা ঠিকমত চাহ করতে পারেনা। আমরা যারা নেতৃবৃন্দ তথা বহু মন্ত্রীদের কাছে তারা অনেক অভাব অভিযোগ জানিয়েছে এবং তাদেরে অনেক আশ্বাসও দেওয়া হয়েছে অথচ আজ পর্যন্ত এ ব্যাপারে কিছুই করা হয়নি। বহু পরিকল্পনা হয়েছে কিন্তু স্বাধীনতার ২৬ বৎসর পরেও আজ পর্যন্ত এই একটি সমস্যা সমাধানের জন্য পরিমিত অর্থব্যয় হয়নি। আমি যখন আঞ্চলিক পঞ্চায়তের সভাপতি ছিলাম, তখন, বহু পরিকল্পনা তৈরী করে সরকারের কাছে পাঠিয়েছি। Flood control এর জন্য বহু Scheme হয়েছে অথচ এই ২১ হাজার বিঘার এতবড় জমিতে ফসল উৎপাদনের জন্য সরকারের কোন ব্যবস্থা নাই। কাজেই আমি কৃষী মন্ত্রী মহোদয় কে অনুরোধ করব অন্ততঃ শনবিল অঞ্চলে যেন একটু নজর দেন।

শনবিলে যে Natural fishery আছে, তার দিকে একটু নজর দিলে বাংলাদেশথেকে আর মাছ আনতে হবে বলে আমি মনে করিনা। অথচ সেই দিক থেকে আমরা ব্যর্থ হয়েছি। কাজেই আমি বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করছি যেন আগামী পঞ্চবার্ষিক পরিকল্পনায় তার জন্য প্রয়োজনীয় ব্যবস্থা অবলম্বন করেন।

এখন আমি Public Health water works Deptt. এর কথা বলব। রাজ্যপাল মহোদয়ের ভাষণে এ সম্বন্ধে উল্লেখ আছে এবং এটা অতি সত্য কথা যে, অনেক যায়গায় এ ব্যাপারে অনেক কাজ হয়েছে। কিন্তু আমার Constituency র একটা বিষয়ের প্রতি আমি Public Health Minister মহোদয়ের প্রতি দৃষ্টি আকর্ষণ করছি। রামকৃষ্ণ নগর Water Works Scheme ১৯৬৪ সালে আরম্ভ হয় এবং ৬৯/৭০ ইং তে শেষ হয় এবং তাতে প্রায় ৭ লক্ষ্য টাকা সরকারী অর্থ ব্যয় হয়। কিন্তু অত্যন্ত দুঃখের সঙ্গে আজ আমি বলতে বাধ্য হয়েছি যে এই ৭ লক্ষ টাকা ব্যয় করে যে water works হয়েছে আজ চার বৎসর পরেও........

এটা একটী মারাত্মক কথা। আমি এজন্য গত দুই বৎসর বিভাগের বিভিন্ন কর্তাদের গিয়েছি এবং বলেছিযে এত টাকা খরচ করে যখন একটা প্রকল্প হয়েছে, তাদ্দারা জল দেওয়ার যেন ব্যবস্থা করা হয়, যাতে জনসাধারণ বুঝতে পারে যে এই টাকা নষ্ট হয়নি। সরকারের বিভিন্ন মহলে বিভিন্ন সময় এই বিষয়ে বলা সত্বেও কোন সদুত্তর পাওয়া যায়নি। আমি Chief Enggr. কে একবার বলেছিলাম যে, এই পরিকল্পনার গোড়াতে কোন ত্রুটি ছিল কি না? যদি ছিল, তা'হলে কেন এই ৭ লক্ষ টাকা ব্যয় করা হলো? যাই হোক, আমি আশাকরি Public Health বিভাগের মন্ত্রীমহোদয় এই water supply র জন্য বিশেষ ব্যবস্থা অনতি বিলম্বে করবেন।

এখন আমি দ্রব্যমূল্য বৃদ্ধি সম্পর্কে কয়েকটি কথা বলব।

**Mr. Speaker :** আপুনি শেষ করেন। ২০ মিনিট হয়েগেছে।

**Shri Suranjan Nandi :** আর পাঁচ মিনিট বলব স্যার।

কয়েকদিন আগে আমার সাহিত্য সভার মঙ্গলদৈ অধিবেশনে মুখ্যমন্ত্রী মহাশয় এই সম্বন্ধে বলেছেন যে There were diversities and struggle in the life of the people of Assam. এটা খুবই সত্য কথা। দ্রব্যমূল্য বর্ত্তমান জীবন যাত্রাকে দুর্বিসহ করে তুলেছে। কিন্তু আমি একটি কথা বুঝি যে, এই দ্রবমূল্য বৃদ্ধির জন্য আসাম সরকার দায়ীনয় বা মুখ্যমন্ত্রী শরৎ বাবুও দায়ী নন্। কিন্তু আমাদের বিরোধী দলের সদস্য বন্ধুগন এর জন্য সমালোচনা করে সরকারকে ব্যতিব্যস্ত করে তোলার চেষ্টা করছেন।

(A Voice : হবেন্, হবেন্, আপনি মন্ত্রী হবেন)

আমি তাদের অনুরোধ করছি যে loudly voiced বক্তৃতার দ্বারা এই সমস্যার সমাধান করা সম্ভব হবেনা। এর জন্য সমবেত ও যৌথ প্রচেষ্টার দরকার। শুধু বক্তৃতার দ্বারা সরকারকে আক্রমণ করলে সমস্যার সমাধান হবেনা।

(A Voice : Supply port folio নিতে চান না কি?)

আসাম রাজ্যের দ্রব্যমূল্য বৃদ্ধির অন্যতম কারণ এই যে, এই রাজ্যে গম, সরিহার তেল ইত্যাদি জিনিষের উৎপাদন হয়না, এ গুলি বাইরে থেকে আমদানি করতে হয়। কিন্তু একটা জিনিষ আমি বুজি না যে, দ্রব্যমূল্য বৃদ্ধি হলেও বাজারে কিন্তু জিনিষের অভাব বা অনটন হয়না। আজ সারা দেশে পাট, ধান ইত্যাদির Bumper Production হয়েছে অথচ জিনিযের দাম দিন দিন বৃদ্ধি হয়েছে। চাল ও ধানের দাম অসম্ভব রকমের বাড়ার ফলে জনসাধারনের মনে অসন্তোষ হওয়া অত্যন্ত স্বাভাবিক সরকারকে আমি এই জন্য অনুরোধ করি যে, এর জন্য যেন বিশেষ ব্যবস্থা অবলম্বন করে যথাযথ দায়িত্ব পালন করেণ এবং যে গুলো নিত্য প্রয়োজনীয় জিনিষ, প্রয়োজন হলে Subsidy দিয়েও যেন জিনিষের দাম কমাবার চেষ্টা করেন। তাহলে মজুতকারীরা নিযুক্ত শিক্ষা পাবে বলে আমি বিশ্বাস ক রি।

আমার শেষ কথা Democratic Decentralisation সম্পর্কে এবং এই দিক দিয়ে মাননীয় মুখ্যমন্ত্রী মহাশয় সাফল্য লাভ করেছেন। আমি একটি কথা বলতে বাধ্য যে, সমগ্র ভারতের মধ্যে কোন মুখ্যমন্ত্রী যদি সমাজ-

বাদ প্রতিষ্ঠা করার জন্য Democratic Decentralisation এ সাফল্য লাভ করে থাকেন, তাহলে, তিনি হলেন আসামের মুখ্যমন্ত্রী শ্রীশরৎ চন্দ্র সিংহ। হয়ত বিরোধী দলের সদস্যগন ক্ষোভ প্রকাশ করে বলতে পারেণ যে অনেক কমিটীতে তাদের প্রতিনিধিত্ব নাই এবং এটা অ-গণ-তান্ত্রিক ইত্যাদি। কিন্তু আমি বলব যে, যেহেতু যে দল রাজ্যের অধিক সংখ্যক জনসাধারনকে প্রতিনিধিত্ব করছে—যে দলের বেশীর ভাগ সদস্য যদি এই সব কমিটীতে থাকেন, তাহলে সেটা গণ-তান্ত্রিক নয় কি? এই ভাবে ক্ষমতার বিকেন্দ্রীকরনের দিকে যেভাবে সরকার অগ্রসর হচ্ছে তাকে আমি অভিনন্দন জানাই।

( A Voice : আপনি কতটা কমিটির Member ? )

তা বলে শেষ করা যাবেনা।

অধ্যক্ষ মহোদয়, এই সব দিক থেকে আমি সরকারের কার্যকলাপ সমর্থন করছি এবং রাজ্যপালের ভাষনকে সমর্থন করে আমি আমার বক্তব্য শেষ করছি।

Shri Sarat Chandra Sinha (Chief Minister) : Mr. Speaker Sir, I want to correct a reply with your permission. The starred question No. 117 asked by Shri Soneswar Bora, M. L. A., was replied to by me on 13-6-73 of the Budget session of the Assembly. A list of teachers detained under the M. I. S. Act. 1973, in reply to question was placed on the table of the House. The particulars of one detenue viz., Shri Hem Bora of the list was questioned in course of supplementaries.

On further verification it has been ascertained that Shri Hem Bora is a Professor of D. R. College, Golaghat and not of Sibsagar College. The mistake is regretted.

The names of the teachers/professors detained under the M. I. S. Act, 1971, in connection with the movement on medium of instruction during October-November, 1972 are as follows :

Kamrup district.

1. Dr. Nesar Ahmed : Demonstrator, Gauhati Medical College.
2. Shri Ajit Kumar Sarma : Professor of Handique College, Gauhati.

Darrang district.

3. Shri Ramapada Chakravarty : Headmaster. Netaji Bidya Mandir, Dhekiajuli.
4. Shri Hahi Ram Nath : Asstt. Headmaster, Mangaldai Girls' High Schools.
5. Mrs. Bijaya Chakravarty : Demonstrator, Mangaldai College.

6. Shri Anil Sarma : Lecturer, Mangaldai College.

Nowgong district.

7. Shri Harendra Dadhara : Asstt. Teacher, Dason High English School, Nowgong.

Sibsagar district

8. Shri Bishnu Dutta : Teacher, Sonari High Schools.

Shri Narayan Barua : Asstt, Teacher, Sibsagar Town High School

10. Shri Saleh Siddique : Teacher, Madrassa High School, Sibsagar.

11. Shri Khageswar Gogoi : Headmaster, Sankardev Bidyapith High English School, Titabor.

12. Shri Abdur Rahman : Asstt. Headmaster, M.R.S.H.E. School, Titabar.

13. Shri Hem Bora : Professor D. R. College, Golaghat.

14. Shri Kiran Gogoi : Headmaster, Town High School Sibsagar.

15. Shri Tarun Barua : Professor, Dimow College.

Goalpara district.

16. Shri Moni Kanta Das : Asstt. Teacher, Borgola H. E. School.

17. Shri Amalendu Das : Headmaster, Chakapara H. E. School

শ্ৰীনগেন বৰুৱা : অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মই কেইটামান কথা নিবেদন কৰিব খুজিছো। এই সদনত ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ বিৰোধী দলৰ ফালৰ পৰা আৰু কংগ্ৰেছী পক্ষৰ ফালৰ পৰা বহুতো মাননীয় সদস্যই কথাৰ অৱতাৰণা কৰিছে। আজি ৰাজ্যপালৰ ভাষণত ৰাইজৰ বা অসমৰ যিবিলাক সমস্যা সেই সমস্যা বিলাক ভালকৈ বিশ্লেষণ কৰা হোৱা নাই। কোনটো সমস্যা কেনেকৈ সমাধান কৰিবলৈ চৰকাৰ আগবাঢ়িছে তাৰ এটা আভাষ বা কোন সমস্যাৰ কাৰণে কি ভূমিকা লৈছে ৰাজ্যপালৰ ভাষণত সেইটো ভালকৈ বিশ্লেষণ কৰা হোৱা নাই বুলি কৈছে। মই বিৰোধী পক্ষৰ ফালৰ পৰা এই কথা কেতিয়াও বিশ্বাস নকৰো যে বৰ্ত্তমান চলি থকা চৰকাৰে আমাৰ দেশৰ সমস্যা বিলাক সমাধান কৰিব পাৰিছে বৰঞ্চ নতুন নতুন সমস্যাৰ উদ্ভৱহে হৈছে। এই সমস্যা বিলাক মকাবিলা কৰাৰ কাৰণে বা জনসাধাৰণৰ যি অৱস্থা হৈছে সেই অৱস্থা উপশম কৰাৰ কাৰণে চৰকাৰে কিবা বলিষ্ঠ নীতি লব পৰা নাই। ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ দৰে আমাৰ ইয়াতো জনসাধাৰণৰ সমস্যাৰ পৰা অব্যাহতি পোৱাটো মই বিশ্বাস নকৰো কিয়নো আজি যোৱা ২৬ বছৰ ধৰি বিশেষকৈ চাৰিটা পঞ্চ-বাৰ্ষিকী পৰিকল্পনাত কোটি কোটি টকা খৰচ কৰাৰ পিচতো আমাৰ দেশত এনেকুৱা সমস্যা কিছুমানৰ উদ্ভৱ হৈছে যি বিলাক পৰি-

কল্পনাৰ পূৰ্ব্ব কালছোৱাত উদ্ভৱ হোৱা নাছিল। একোটা পৰিকল্পনা শেষ হোৱাৰ পিচত কিছুমান সমস্যাৰ সমাধান হব লাগিছিল কিন্তু সেইটো নহৈ প্ৰত্যেকটো পৰিকল্পনা শেষ হোৱাৰ পিচতেই নতুন নতুন কিছুমান সমস্যাৰ উদ্ভৱহে হৈছে। উদাহৰণ স্বৰুপে আমাৰ দেশৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত, উত্পাদন বৃদ্ধিৰ ক্ষেত্ৰত, দ্ৰব্য-বস্তুৰ মূল্য নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ইটোৰ পিচত সিটো সমস্যা নতুন কৈ ওলাইছেহে। তাৰ সমাধানৰ পথ হলে পোৱা হোৱা নাই। আমি যদি চাওঁ কৃষিৰ ক্ষেত্ৰত হওক বা উদ্যোগীকৰণৰ ক্ষেত্ৰত বা নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰতেই হওক দেশত নতুন নতুন সমস্যাৰ উদ্ভৱ হৈ আছে। গতিকে পৰিকল্পনা বিলাকে সমস্যা সমাধান কৰাৰ পৰিবৰ্ত্তে কিছুমান সমস্যাৰ সৃষ্টিহে কৰিছে।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত নতুন কিবা এটা পাম বুলি মই বিশ্বাস নকৰো। কিয়নো আজি ২৬ বছৰে ভাৰতবৰ্ষত কংগ্ৰেছী শাসনৰ অধীনত সমস্যাৰ সংখ্যা বছৰৰ পিছত বছৰে বাঢ়িবহে লাগিছে। যদি অন্য কোনো দলে চৰকাৰ গঠন কৰা দেখা পাওঁ তেতিয়াহে নতুন কিবা এটা দেখিবলৈ পাম। সেই কাৰণে ৰাজ্যপালৰ ভাষণত নতুনত্ব একো আশা কৰা নাই। অন্য দল যদি শাসনৰ গাদীত বহিব পাৰে তেতিযাহে ৰাজ্যপালৰ ভাষণৰ ৰূপ বদলিব পাৰে। নতুনত্ব কিবা পাব পাৰো। আমাৰ জনসাধাৰণে আশা কৰিছিল কি? কৃষিৰ ক্ষেত্ৰত, থাকিবলৈ এখন ঘৰ, ল'ৰাছোৱালীৰ ভবিষ্যত, সমাজখনৰ বুদ্ধি-বৃত্তি স্বাস্থ্য ইত্যাদিৰ ক্ষেত্ৰত আশা কৰিছিলে শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত, কিছুমান সা-সুবিধা জনসাধাৰণে পাব বুলি। কিন্তু মাটিৰ ক্ষেত্ৰত, পানীৰ ক্ষেত্ৰত, কৃষিৰ ক্ষেত্ৰত পালে কি? লাখ লাখ টকা বছৰে বছৰে খৰচ কৰিলে কিন্তু খেতিয়ক সকলে কোনো সুবিধাই নাপালে। পঞ্চম পাচ বছৰীয়া পৰিকল্পনাত কত কোটি টকা খৰচ কৰিছে কিন্তু কোনো এজন কৃষকক সুবিধা দিব পৰা নাই। কৃষিৰ কাৰণে প্ৰথম কথা ভূমিৰ বন্দবস্তি হব লাগিব। কৃষি কৰা সকলক নাঙল দিয়া আৰু নাঙললৈ খেতি কৰা সকলক মাটিৰ অধিকাৰ দিয়া। কিন্তু সেই অধিকাৰ দিয়াৰ ক্ষেত্ৰত কি কৰিছে? মাটি দিয়াৰ দূৰৰ কথা কিমান জন ভূমিহীন খেতিয়ক আছে কিমান খিনি খেতিৰ উপযোগী মাটি আছে, কিমান খিনি শস্য উৎপাদন হয়, কিমান লাভবান হয় সেই কেইটা কথাকে কৃষি বিভাগে উলিয়াব পৰা নাই। আমাৰ মাটি আছে, পানীও আছে কিন্তু কৃষি আধুনিকীকৰণ কৰাৰ ক্ষেত্ৰত খেতিয়ক অকনো আগবাঢ়িব পৰা নাই। ৰাজ্যপালৰ ভাষণত কৈছে যে প্ৰজাস্বত্ব আইন অনুসৰি এক লাখ সাতাইশ হাজাৰ খেতিয়কক প্ৰজাস্বত্ব অধিকাৰ দিয়া হৈছে, ইয়াৰ দ্বাৰা যে ভূমি সমস্যা সমাধান হব সেইটোও নহয়। কৃষি কাৰ্য্যত উন্নতি সাধন কৰিব পৰা হলে খেতিয়ক সকলেও উন্নতি সাধন কৰিব পাৰিলেহেতেন। কিন্তু প্ৰজাস্বত্ব আইনৰ অধীনত যিমান খিনিয়ে অধিকাৰ পাব লাগিছিল সিমান খিনিয়ে পোৱা নাই। আগৰ ২৬ বছৰেও নহল আৰু চিলিং আইন কৰা পিচতো এই দুবছৰেও সেই আগৰ দৰেই থাকিল। নতুনকৈ চিলিং আইন কৰি কৈছিল যে কৃষক সকলক নানা ৰকমৰ সুবিধা দিব কিন্তু তাৰ কৃষকসকলৰ সমস্যা আৰু জটিলহে কৰিলে। ভূমিহীন লোক সকলৰ দ্বাৰা নিগম কৰি কাৰ্য্যকলাপ কৰিব বুলি আগবাঢ়ি আহিল কিন্তু

কৰিলে কি কব নোৱাৰো। নিগম বিলাকৰ দ্বাৰা যে দুই এঠাইত কৃষক সকল উপকৃত হোৱা নাই সেইটো নহয়। কিন্তু বেছি ভাগতেই সমস্যা আৰু বেছিহে কৰিছে।

অধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত দেখা পাইছো ব্লক বিলাকৰ জৰিয়তে কিছুমান লোহাৰ নাঙল কৃষি বিভাগৰ পৰা দিছিল। তাৰ কাৰণে বহু টকাও খৰচ কৰা হৈছিল। বাহিৰত তৈয়াৰী সেই নাঙল আনাৰ কাৰণে বহুত টকা খৰচ কৰা হৈছিল যদিও সেই নাঙল বিলাক কাৰ্য্যকৰী হৈ থকা নাই। ট্ৰেক্টৰ আদি দি সৰহকৈ চহাই দিয়াৰ কথা বেলেগ কথা। কিন্তু যদি এইটো পৰ্য্যালোচনা কৰি চোৱা হয় দেখা যায় যে সেই নাঙল বিলাক এতিয়া অকামিলা হৈ পৰি আছে। তাৰ কাৰণ হল সেই নাঙল বিলাক যি ফাল সেই ফালৰ লো আমাৰ ইয়াত নাপায় আৰু যি ধৰণেৰে তৈয়াৰী হৈছে সেইটো ধৰণেৰে অসমত তৈয়াৰ কৰা নহয়। ফলত সেই নাঙল বিলাক অকামিলা হৈ পৰি আছে। ট্ৰেক্টৰ দিয়াৰ কথা আছিল কিন্তু ট্ৰেক্টৰ আদিও দিয়া হোৱা নাই আন একো সুবিধাও দিয়া নাই। সেইবিলাক সকলো কাগজতে আছে আচলতে ক'তো একো দিয়া হোৱা নাই। কিন্তু আমাৰ নিজ নিজ সমষ্টি বিলাকত সেইবিলাক দেখিবলৈ পোৱা নাই। পঞ্চাছ হেজাৰ নলী-নাদ ক'ত বহুৱাইছিল তাৰ হিচাব আচলতে কাগজে-কলমেহে আছে, কাৰ্য্যত: সেইবোৰ কৃষকে বা ৰাইজে দেখা পোৱা নাই। উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত একে সময়তে অন্যান্য ৰাজ্যৰ যিখিনি অগ্ৰসৰতা দেখা গৈছে সেই খিনি অগ্ৰসৰতা আমাৰ ৰাজ্যত দেখা পোৱা নাই বৰংঞ্চ আমাৰ ৰাজ্যত খেতি বিষয়টো এটা ব্যৱসায়িক ভিত্তিত লোৱাহে দেখা গৈছে। খেতি কৰি নিজে পোহ-পাল যোৱাৰ উপৰিও বজাৰত উৎপাদনৰ ব্যৱস্থাটো আকৰ্ষিত কৰাৰ কোনো প্ৰস্তুতি হোৱা নাই। খেতি আধুনিকীকৰণ কৰি তাৰ উৎপাদন সামগ্ৰিকভাবে বজাৰলৈ পঠোৱাৰ কোনো ব্যৱস্থা অসমত নহল। কিন্তু চৰকাৰে ঘোষণা কৰিলে যে কেচা পাতৰ ধানৰ দামো চৰকাৰে সমানেই দিব, তাৰ ফলত যে চৰকাৰে নিজেই কৃষকক ফাকি দিবলৈ শিকালে সেই কথা চৰকাৰৰ দৃষ্টিগোচৰ নহল। ইয়াৰপৰা কৃষকে এই কথাই শিকিলে যে বজাৰলৈ বেয়া বস্তু নিলেও চৰকাৰে দাম সমানেই দিব। কৃষি আধুনিকীকৰণৰ ক্ষেত্ৰত চৰকাৰ বা চৰকাৰৰ প্ৰশাসনীয় যন্ত্ৰই যে একোয়েই কৰিব নোৱাৰিলে সেই কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই আৰু ভবিষ্যতেও যে সেই কথাৰ উল্লেখ কেতিয়াবা হব তাৰ কোনো ইংগিত আমাক নিদিলে।

অধ্যক্ষ মহোদয়, আমাৰ অসমখন এখন কৃষি প্ৰধান ৰাজ্য। কৃষিৰ ওপৰতে নিৰ্ভৰ কৰি যদি আমাৰ অৰ্থনীতি গঢ়ি তুলিব লগা হয় তেন্তে কৃষিৰ ওপৰত যিখন আঁচনি চৰকাৰে লৈছে তাত যদি চৰকাৰ দৃঢ়তা নাথাকে তেন্তে আমাৰ যি অৰ্থনৈতিক দুৰৱস্থা তাৰ কেতিয়াও উপসম নহয় আৰু উৎপাদন বৃদ্ধি নহয়। সেই কাৰণে ৰাজ্যপালৰ ভাষণত আমি সেই কথাৰ উল্লেখ নাপালো। পঞ্চম পৰিকল্পনাৰ ভিতৰত আমাৰ জনসংখ্যাৰ যিটো অংশ দৰিদ্ৰ সীমাৰেখাৰ তলত আছিল স্বাধীনতাৰ ২৬ বছৰৰ আগত। সমান সংখ্যক জনসংখ্যা দাৰিদ্ৰৰ সীমা ৰেখাৰ তলত নাছিল। এই কথাটো ভালকৈ বিবেচনা কৰি সেইমতে আঁচনি প্ৰস্তুত কৰি তাক কাৰ্য্যকৰী কৰাৰ হে ব্যৱস্থা চৰকাৰে কৰিব লাগে।

তাৰ পৰিবৰ্তে চৰকাৰে কি কৰিছে ? সাম্প্ৰদায়িক কিছুমান কথা আজি আমাৰ মাজত আহি পৰিছে। আমাৰ দেশখন গণতান্ত্ৰিক ভিত্তিত গঢ়ি উঠিছে বুলি কোৱা হয়। কিন্তু কাৰ্য্যক্ষেত্ৰত আমি দেখিছো যে সাম্প্ৰদায়িক ভিত্তিত আমাৰ দেশৰ কিছুমান লোক পিচপৰি আছে বুলি তেওঁলোকৰ উন্নয়নৰ কাৰণে চৰকাৰে কিছুমান বিশেষ আঁচনি লোৱা আমি দেখা পাইছো। ফলত চৰকাৰে আমাৰ জনসাধাৰণক ভুল পথে পৰিচালিত কৰিছে। সামগ্ৰিক ভাবে জনসাধাৰণৰ উন্নয়নৰ চেষ্টা আমাৰ চৰকাৰে কৰা নাই। আচলতে এখন সমাজবাদী আঁচনি বা এটা সুস্থ অৰ্থনৈতিক অৱস্থা গঢ়ি তোলাৰ কথা আমাৰ চৰকাৰে ভবা নাই। ফলত এটা সম্প্ৰদায়ৰ লগত আনটো সম্প্ৰদায়ৰ খোৱা-কামোৰা চলিছে। চৰকাৰৰ এই নীতিৰে যাতে আমাৰ খণ্ডিত অসমখন আৰু বিখণ্ডিত কৰাৰ ব্যৱস্থা চৰকাৰে নকৰে তাৰ বাবে চৰকাৰ সজাগ হবৰ হল।

বস্ত্ৰৰ ক্ষেত্ৰত চৰকাৰে ঘোষনা কৰিছে যে জনসাধাৰণৰ বাবে বিশেষকৈ সমাজৰ পিচপৰা শ্ৰেণীটোৰ বাবে মোটা কাপোৰ প্ৰচুৰ পৰিমাণে তৈয়াৰ কৰা হব ধৰিছে। যিটো সমাজৰ দুৰ্বল শ্ৰেণীৰ কাৰণে এই মোটা কাপোৰ প্ৰস্তুত কৰা হব ধৰিছে বুলি চৰকাৰে ঘোষণা কৰিছে তাৰ পৰিমাণ গাই পতি পাচঁ মিটাৰকৈ হে পৰিছে। কিন্তু আনহাতে মিহি কাপোৰৰ উৎপাদন যথেষ্ঠ পৰিমাণে দেখা পোৱা গৈছে। গতিকে ইয়াৰ পৰা এই কথাই কব পাৰি যে প্ৰকৃততে যদি চৰকাৰে সমাজৰ দুৰ্ব্বল বা পিচপৰি থকা শ্ৰেণীৰ মঙ্গলৰ কাৰণে কিবা কৰিব খুজিছে মিহি আৰু ৰং-চঙীয়া কাপোৰৰ যি প্ৰচুৰ উৎপাদন তাক বন্ধ কৰি মোটা কাপোৰৰ বেছিকৈ উৎপাদন কৰাৰ দিহা কৰক তেতিয়াহে হয়তো সমাজৰ দুৰ্ব্বল শ্ৰেণীটোৰ কিবা এটা উপকাৰ কৰা হব বুলি আমি ভাবো।

আনহাতে সমাজৰ দুৰ্বল শ্ৰেণীৰ মানুহৰ থকা ঘৰৰ ক্ষেত্ৰত ঘৰ সাজি দিয়াটো যদিও চৰকাৰৰ দায়িত্ব নহয় তথাপি এই ক্ষেত্ৰত এই কথাৰ প্ৰতি চৰকাৰ সজাগ হোৱা ভাল যে সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকে সাধাৰণ ঘৰ এটা সাজিবলৈ হলে লাগতিয়াল সামগ্ৰী খিনি নাপায়। অন্যহাতে ধনীশ্ৰেণীটোৱে ঘৰ সজাৰ ক্ষেত্ৰত কোনো বস্তুৰ অভাৱ নাপায়, এই ব্যৱস্থা আজি কেনৈ হবলৈ পাইছে ? ইয়াৰ উপশম নঘটালে সাধাৰণ মানুহৰ সমাজত টিকাটোৱেই কঠিন হৈ পৰিছে। হৰিজন সকলৰ কাৰণে চৰকাৰে কি কৰিছে ? গুৱাহাটীৰ মেডিকেল কলেজৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলে ধৰ্মঘট কৰিছে, তাৰ হৰিজন সকলে থাকিবলৈ ঘৰ বিচাৰিছে। আমাৰ চৰকাৰে কৈছে যে তেওঁলোকৰ কাৰণে ছয় তলাৰ ঘৰ সাজিছে। সেইটো সম্পূৰ্ণ হলে ঘৰৰ সমস্যা সমাধান হব। আজি হৰিজন সকলৰ কাৰণে পিচপৰা শ্ৰেণীৰ কাৰণে কিবা কৰা বুলি কৈছে। কিন্তু কি কৰিছে ? গুৱাহাটীৰ মেডিকেল কলেজৰ ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ বিশেষকৈ দাবী হৈছে যি সকল হৰিজন যি সকল সাধাৰণ কৰ্মী তেখেত সকলক থকা ঘৰৰ ব্যৱস্থা কৰি দিব লাগে। চৰকাৰে কৈ আছে যে তেওঁলোকৰ কাৰণে ৬ তলাৰ ঘৰ এটা নিৰ্মান কৰি আছে সেই ঘৰটো সম্পুৰ্ণ হলেই তেওঁলোকৰ ঘৰৰ সমস্যা সমাধান কৰিব পৰা হব। কিন্তু বৰ্ত্তমান অৱস্থাত সেই মানুহ বিলাক কত আছে কেনেকৈ আছে সেইটো চৰকাৰে বিচাৰ কৰা নাই। গুৱাহাটীৰ মেডিকেল কলেজ ইয়াৰ এটা নমুনা হে মাত্ৰ। এই ধৰণেৰে গাৱে ভুৱে নগৰে চহৰে মানুহ

*Speech not corrected

বিলাক কত কেনেকৈ আছে, জাৰ জহ কত কেনেকৈ উপশম কৰিছে, বৰষুণত কেনেকৈ তিতি আছে সেই বিষয়ে চৰকাৰৰ কোনো বিচাৰ নাই। আজি চৰকাৰে সমাজ বাদৰ কথা কৈ থাকিলেই আমাৰ মানুহৰ সমস্যা সমাধান হব নোৱাৰে। আমাৰ যি বিলাক সাধাৰণ সমস্যা সেই বিলাককে চৰকাৰে সমাধান কৰিব পৰা নাই। সমাজ বাদ আজি যিটো গতিত আগবাঢ়ি গৈছে সেই গতিত আগবাঢ়ি গলে আমাৰ কিমান সুবিধা আহিব? চৰকাৰে হয়তো কব পাৰে যে আমাৰ এটা ট্ৰেনজিচনাল পেৰিয়দ থকাৰ কাৰণে আমি এই বিলাক ব্যৱস্থা কৰিব পৰা নাই। কিন্তু আজি ২৬ বছৰ ধৰি এই ট্ৰেনজিচনাল পেৰিয়দতো চলিয়েই আহিছেনেকি? এই কথা আমি বুজিব পৰা নাই। সেই দৰে শিক্ষাৰ ক্ষেত্ৰত, স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত আমাৰ অসমৰ ডাঙৰ ডাঙৰ নগৰ চহৰ বিলাকত ডাঙৰ ডাঙৰ হস্পিতাল আছে।

মিঃ স্পীকাৰ : আপোনাৰ ২০ মিনিট হৈ গল।

শ্ৰীনগেন বৰুৱা : মই আৰু ২ মিনিট কম চাৰ।

শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যদি ভবিষ্যতে প্ৰগতি লাভ কৰিবলৈ বিচাৰে তেনেহলে আমি বিস্তৃত ৰূপত কাম কৰিব লাগিব। শিক্ষাৰ ক্ষেত্ৰত আমাৰ গাওঁ-ভুইৰ লৰা ছোৱালী বিলাকে কেনেকৈ পঢ়িছে, কত বহিছে কেনেকুৱা অৱস্থাত আমাৰ শিক্ষক সকলে শিক্ষা দান কৰিবলগীয়া হৈছে সেই কথাৰ প্ৰতি আমাৰ চৰকাৰে লক্ষ্য ৰখা নাই। আজি ২৬ বছৰ ধৰি চালবেৰ থকা এখন প্ৰাইমাৰী স্কুল চৰকাৰে পাতিব নোৱাৰিলে। এই চাল বেৰ নাইকীয়া স্কুল বিলাকতে আমাৰ লৰা ছোৱালী বিলাকে পঢ়িব লগীয়া হৈছে। প্ৰাইমাৰী স্কুল এখনৰ কাৰণে যি খিনি সা-সুবিধা দিয়াৰ প্ৰয়োজন সেইখিনি আমাৰ চৰকাৰে দিব পৰা নাই। এনেকৈ শিক্ষা লাভ কৰি অহা ছাত্ৰ-ছাত্ৰী সকলৰ পৰা ভাবিষ্যতে দেশে কি আশা কৰিব পাৰে। বৰঞ্চ তেওঁলোক বেচিহে নিশকটীয়া হৈ পৰিব।

খোৱা পানীৰ ক্ষেত্ৰত আজি ২৬ বছৰে আমাৰ চৰকাৰে কি কৰিব পাৰিছে। অন্য বিলাক দেশৰ পৰা হাইজা, গ্ৰহণী আদি নাইকীয়া হৈছে। কিন্তু আমাৰ দেশত এই বিলাকৰ খোৱা পানীৰ কাৰণেই পুনৰ প্ৰাদুৰ্ভাবহে হৈছে। তাৰ কাৰণে আমাক চৰকাৰে খোৱা পানীৰ সুবিধা কৰি দিব পৰা নাই। এতিয়া পঞ্চবাৰ্ষিক পৰিকল্পনাত চৰকাৰে লাখ লাখ কোটি কোটি টকা খৰচ কৰিবলৈ ওলাইছে। কিন্তু তেওঁলোকে সমাজ সংস্কাৰ কৰাৰ কাৰণে দলীয় স্বাৰ্থ বাদ দি তেওঁলোকৰ প্ৰসাশন যন্ত্ৰ বা নিজক প্ৰস্তুত কৰাৰ ক্ষেত্ৰত যি অবহেলা কৰিছে সেই অবহেলাৰ কাৰণে মানুহ কোন দিশত গতি কৰিছে সেই গতিত আগবাঢ়িবলৈ হলে আমাৰ ভবিষ্যত অন্ধকাৰ। আজি যি ভাবে নিবনুৱা সমস্যা বৃদ্ধি হৈছে, যি ভাবে দুৰ্বল শ্ৰেণীটোৰে জলাকলা দেখি আহিছে ইয়াৰ পৰিনতি কি হব সেইটো চৰকাৰে উপলদ্ধি কৰা উচিত। তেওঁলোকে দলীয় স্বাৰ্থ বাদ দি দেশক স্থিৰে ৰখাৰ কাৰ্য্যসূচী লব বুলি আশা ৰাখিলোঁ। মই ৰাজ্যপালৰ ভাষণৰ ওপৰত অন্য প্ৰস্তাৱটো সমৰ্থন কৰি এই কেইধাৰ কথা নিবেদন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*Speech not corrected

ডঃ কৃষ্ণকান্ত লহকৰ : মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণত কেইটামান কথা বিশেষ ভাবে লক্ষ্য কৰিছো। এই কেইটা কথা হল ৰাজ্যপালৰ ভাষণত যোৱা বাৰ দৰিদ্ৰতাৰ সীমা ৰেখা ৭৪ জনৰ তলত আছিল বুলি কোৱা হৈছিল। কিন্তু এইবাৰ এই সীমা ৰেখা তললৈ গল নে ওপৰলৈ গল সেই কথাৰ উল্লেখ থকা হলে ভাল পালোহেতেন। এইদৰে দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত থকা মানুহ বিলাকক কেনেকৈ ওপৰলৈ আনিব পাৰি এই বিষয়ে চিন্তা কৰাৰ সময় আহিছে। এই মানুহখিনিক এইদৰে সদায় দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলতে ৰাখি থমনে? তেওঁলোকক ওপৰলৈ আনিবলৈ হলে কোন বিষয়ত নজৰ দিব লাগিব সেইটো ভাবিব লাগিব। এই সকলক ওপৰলৈ আনিবলৈ হলে জন্মনিয়ন্ত্ৰন, কৃষি আৰু শিল্প বিষয়ত আমি বিশেষ ভাবে জোৰ দিব লাগিব। আজি জন্ম নিয়ন্ত্ৰনত জোৰ দিবলগীয়া হৈছে। আজি প্ৰত্যেক বছৰে শতকৰা ৩.৪ জনকৈ মানুহ বাঢ়িব লাগিছে। এইদৰে যদি প্ৰত্যেক বছৰে মানুহ বাঢ়ি যায় তেনেহলে প্ৰত্যেক ২৭ বছৰত এই মানুহৰ সংখ্যা দুই গুন হবগৈ। মানুহৰ সংখ্যা ১,২,৩, এই হিচাবে নাবাঢ়ে ২৭ বছৰত দুই গুন তাৰ পিচত তিনি গুন তাৰ পিচত ৪ গুন এইদৰে বাঢ়ি বাঢ়ি গৈ গৈ ৩২ গুন হবগৈ। এইদৰে মানুহ বাঢ়িবলৈ হলে ৯০ বছৰৰ ভিতৰত জনসংখ্যা ১৬ গুন হবগৈ। এইদৰে মানুহ বাঢ়ি থাকিবলৈ হলে আমি যি খিনি খাদ্য অলপ মাটিত উৎপন্ন কৰিছো সেই খাদ্যই জুৰিব বুলি কব নোৱাৰো। এই কাৰণেই জন্ম নিয়ন্ত্ৰনত বিশেষ জোৰ দিব লাগে। যোৱা বছৰৰ জন্ম নিয়ন্ত্ৰণৰ কাৰণে যি মাচ কেমপেইন চলিছিল সেইটো ভাল হৈছিল। সেই কাৰণেই আমি ভাবো যে এই দৰে প্ৰত্যেক বছৰে মাচ কেমপেইন হৈ থাকিব লাগে। আমাৰ যি সকল শিক্ষিত তিৰোতা মানুহ সেই সকল অপাৰেচনৰ প্ৰতি উৎসাহিত হোৱা দেখা গৈছে। আমাৰ মেডিকেল কলেজৰ শিক্ষিত ডেকা সকলক প্ৰয়োজন হলে তেনেধৰণৰ শিক্ষা দি প্ৰত্যেক মহকুমাতে তেনেকুৱা কেমপেন চলাব লাগে। আৰু এই অপাৰেচনৰ কামটো আজিকালি বহুত সহজ হোৱাৰ কাৰণে তেওঁলোকক দি কাম চলাব লাগে।

মোৰ দ্বিতীয় কথা হৈছে কৃষি। কৃষিৰ উন্নতি কৰিব নোৱাৰিলে আমি বিশেষ ভাবে উন্নতি কৰিব নোৱাৰিম। এই কৃষিৰ উন্নতি কৰিবলৈ হলে প্ৰথমতে আমি ৪ টা কথাৰ প্ৰতি মন কৰিব লাগিব। প্ৰথমতে পানী যোগান, বানপানী নিয়ন্ত্ৰন, বিধান যোগান আদিত কৃষক সকলক সহায় কৰিব লাগিব। দুখৰ কথা আজি ২৬ বছৰেও আমাৰ দেশত পানী যোগান ধৰিব পৰা নাই। বতৰৰ ওপৰত নিৰ্ভৰ কৰি চলিব লাগে। ৰাজস্থান মৰুভূমি আছিল। আগতে তাত একো খেতিকেই কৰিব পৰা নাছিল। কিন্তু সেই ৰাজস্থানৰ পৰা এতিয়া আমাৰ অসমলৈ সৰিয়হ আহিছে। ৰাজস্থান এতিয়া মৰুভূমি হৈ থকা নাই। তালৈ চেনেলেৰে পানী আনি খেতি কৰাৰ ব্যৱস্থা কৰি লৈছে। আমাৰ অসমত বহুত বিলাক নদী আছে সেই বিলাকৰ পৰা পানী আনি খেতিত পানীৰ যোগান ধৰাৰ ব্যৱস্থা চৰকাৰে কৰিব নোৱাৰিলে। মাত্ৰ আমাৰ ইয়াত এটা প্ৰজেক্ট কৰিলে সেইটো হৈছে যমুনা জলসিঞ্চন আঁচনি। তাৰ দ্বাৰা প্ৰায় ১০০ বৰ্গ মাইলমান মাটিত পানী যোগান ধৰিব পাৰিছে। এইদৰে কেইখনমান নদীত যদি বান্ধ দিয়াৰ ব্যৱস্থা কৰিব পাৰিলেহেতেন তেতিয়াহলে বতৰৰ ওপৰত নিৰ্ভৰ নকৰাকৈ

অসমৰ পথাৰত খেতি কৰিব পৰা হলহেতেন। এই ক্ষেত্ৰত মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো, আমিও নিৰ্বাচনৰ সময়ত ৰাজ্যক আশ্বাস দি আহিছো যে অন্য কৰিব নোৱাৰিলেও পথাৰত পানী যোগানৰ ব্যবস্থা কৰিম বুলি, গতিকে এই ক্ষেত্ৰত বিশেষ ভাবে জোৰ দিব লাগে। আজি দুই বছৰ হৈ গল এখনো পথাৰত পানী দিব নোৱাৰিলে। আমি খেতিৰ উন্নতি কৰিব নোৱাৰিলে ২০ বছৰৰ পিচত আমাৰ লাখ লাখ মানুহ মৰিব লাগিব। খেতিৰ উন্নতি কৰিবলৈ হলে আমি পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব। শালিধান কটাৰ পিচত আমি গোম ধানৰ খেতি কৰিব পাৰো। গতিকে পানী যোগানৰ অতি আবশ্যক। যোৱা বছৰ আমি ঘেহু খেতি কৰিছিলো, কিন্তু বৰ দুখৰ বিষয় পানীৰ অভাবত সেই খেতি কৰিব নোৱাৰিলো। এই বছৰ খেতিয়কক বিধানেই যোগান ধৰিব নোৱাৰিলো। আমি বিধান যোগান ধৰিব নোৱাৰিলে খেতিয়কে খেতি কৰিব কেনেকৈ। আমি যোগান ধৰাৰ পিচত যদি খেতিয়কে কৰিব নোৱাৰে তেন্তে আমি খেতিয়কক দোষিব পাৰিম। আমাৰ দেশৰ পৰা দৰিদ্ৰতা দূৰ কৰিবলৈ হলে কুটীৰ শিল্প আদি কৰিব লাগিব। পঞ্জাব আৰু অসমৰ জনমুৰি আয় ১৯৪৭ চনত একে আছিল কিন্তু আজি অসমতকৈ দুগুন হৈছে। তাত কুটীৰ শিল্প আৰু ক্ষুদ্ৰ শিল্প খুব গঢ়ি উঠিছে। সেই কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে বিভাগীয় অফিচাৰ সকলক লগত লৈ বিহাৰ, ইউ, পি, পঞ্জাব, হাৰিয়ানা আদি ঠাইলৈ যাব লাগে। ঠিক সেইধৰণে অসমতো কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। তেতিয়াহলে আমাৰ শিল্পত কিছু উন্নতি হব। আমাৰ চৰকাৰে ১৯৭১ চনতে ভূমি নীতি ললে। ইয়াৰ আচল উদ্দেশ্য আছিল গৰীবক খেতিৰ মাটি দিয়া। কিন্তু বৰ দুখৰ বিষয় এই আইন কাৰ্য্যকৰী কৰাৰ আগতে মাটিৰ মালিক বিলাকে আধি খোৱা লোক সকলৰ পৰা মাটি লৈ শেষ কৰি পেলালে। মণ্ডল মাটিৰ জোখমাখ কৰিবলৈ গৈছিল, কিন্তু মাটিৰ মালিকৰ প্ৰৰোচনাত পৰি মণ্ডলে মালিকৰ নামতহে মাটি লিখি আনিলে। এতিয়া মানুহ বিলাকে দিন হাজিৰা কৰি খাব লগা হৈছে। এই ক্ষেত্ৰত ব্যৱস্থা লবলৈ মই মুখ্যমন্ত্ৰী মহোদয়ক বিশেষ ভাবে অনুৰোধ কৰিলো।

অধ্যক্ষ মহোদয়, আমাৰ মূল্য বৃদ্ধি আজি গোটেই পৃথিবীতে হৈছে। আমাৰ অসমতো হৈছে। এই মূল্য বৃদ্ধি চৰকাৰে ৰোধ কৰিব নোৱাৰে। আমাৰ নিত্যপ্ৰয়োজনীয় বস্তু দাইল জাতীয় বস্তুৰ কথাকে মই প্ৰথমতে কব বিচাৰিছো। এই বস্তু বিলাক সাধাৰণতে বিহাৰ, ইউ, পি আদি ঠাইৰ পৰা আহে। তাতে খেতিয়ক সকলে দাম বঢ়াই দিলে আমাৰ হয়তো দাম বাঢ়ি যোৱাটো স্বাভাৱিক তাৰ পিচত মিঠাতেলৰ কথালে আহো। আমাৰ ইয়াৰ সৰিয়হৰ দ্বাৰা যি তিনি মাহ মিঠাতেলৰ যোগান ধৰা হয় সেই কেইদিন আমাৰ ইয়াত দাম কমি থাকে। কিন্তু বাকী কেইদিন অসমৰ বাহিৰৰ পৰা আহিব লাগে। সেই সৰিয়হৰ দাম বাঢ়ি গলে আমাৰ ইয়াত মিঠাতেলৰ দাম বাঢ়ি যায়। ঠিক সেই ধৰণে আমাৰ খেতিয়ক সকলেও নিজে উৎপাদিত কৰা বস্তুৰ দাম বৃদ্ধি কৰিবলৈ বাধ্য হয়। এই বস্তু কেইটাৰ কোনো কণ্ট্ৰল নাই। গতিকে চৰকাৰে ইয়াত হাত দিব নোৱাৰে। মই কিছুমান মিলত সোমাই চাইছিলো সৰিয়হ কিমান জমা আছে। তেতিয়া তেওঁ লোকে ৮০ টকা মোনত কিনিছিল সেইটোলৈ চাই ৯৮ টকা টিনত দৰ বান্ধি

দিবলৈ ঠিক কৰা হৈছিল। কিন্তু যেতিয়া ৰাজস্থানৰ পৰা ১৪৫ টকা মোনত আনিব লগা হল তেতিয়া ১২০ টকা টিনত দৰ বান্ধি দিব লগা হল। আমাৰ ইয়াত ৭০-৮০ টকা দৰত সৰিয়হ বিক্ৰী হৈ গল। গতিকে ৯ টকা দৰ বান্ধি দিছে। ইয়াতকৈ যাতে দৰ নবঢ়ায় বৰঞ্চ ৬ টকা মানহে কৰে তাৰ প্ৰতি দৃষ্টি ৰাখি ব্যৱসায় সকলক সাবধান কৰি দিব লাগে। নগাওঁৰ ডি, চি য়ে ৭ টকাতকৈ বেচি দৰত বিক্ৰী কৰিবলৈ নিদিয়া কথাত মই তেখেতক ধন্যবাদ দিছো। এই বিষয়ত ব্যৱসায়ী বিলাকক সাবধান কৰি দিবলৈ চৰকাৰক মই অনুৰোধ জনালো।

তাৰ পিছত চৰকাৰে ধানৰ দাম নিৰ্দ্ধাৰণ কৰি দিব লাগে। এফ, চি, আই, য়ে যি দামত ধান সংগ্ৰহ কৰিছে সেইটো কিছু বেছি হৈছে। সেইকাৰণে কিছু চাবচিডি দি হলেও ধানৰ দাম কমাই দিবলৈ মই চৰকাৰক অনুৰোধ কৰিলোঁ। ধানৰ দাম কমিলে চাউলৰো দাম কমি যাব বুলি মই আশা কৰো। তাৰপিচত মই স্বাস্থ্য বিষয়ে দুষাৰ কথা কব বিচাৰিছো: এই কথা মই যোৱা-বাৰৰ বাজেট অধিবেশনতো উথাপন কৰিছিলো যে যিবিলাক ডাক্তৰখানা আছে সেইবিলাকৰ অৱস্থা একেবাৰে বেয়া। বেৰ-চাল নোহোৱাকৈ ডাক্তৰে বাহিৰতে বেমাৰী পৰীক্ষা কৰিবলগীয়া হয়। এইটো বৰ দুখৰ কথা যে অসমত কোনোটো ডাক্তৰখানাৰ অৱস্থা ভাল নহয়। সিদিনা মই মোৰ সমষ্টিৰ এখন ডাক্তৰখানালৈ গৈছিলো আৰু ডাক্তৰখানাৰ অৱস্থা দেখি মই ডাক্তৰজনক কৈছিলো—তুমি ইয়াতকৈ ভালঘৰ এটা বিচাৰি লোৱা, নহলে ই কেতিয়াবা ভাঙি পৰিব। আমি তোমাৰ মৃত্যু বাঞ্চা নকৰো। খেৰিবৰ এটা ভাৰালৈ হলেও বিচাৰি লোৱা। এই ক্ষেত্ৰত পি, ডব্লিউ, দি, স্কিমলৈ বাটচাই থাকিলে একো কাম নহব। সেই-কাৰণে চৰকাৰে নিজে কিবা এটা কৰি প্লেন আৰু এষ্টিমেট বনাই ঘৰ সজাৰ ব্যৱস্থা কৰিব লাগে। সাহাৰ্য্য প্ৰাপ্ত ডাক্তৰখানা বিলাক চৰকাৰে লব লাগে তাত কেৱল ডাক্তৰবিলাকে ডেৰশ টকাতেই কাম কৰিব লগা হয় আৰু যত ডাক্তৰ নাই তাত কম্পাউণ্ডাৰে ৮০ টকাতেই কাম কৰে।

মাননীয় অধ্যক্ষ: আপুনি শেষ কৰক।

শ্ৰীকৃষ্ণকান্ত লহকৰ: চাৰ, মই আৰু দুই মিনিট কৈ শেষ কৰিম। এই যে অসমত ৬৬৩ খন বহুমুখী সমবায় সমিতি কৰিবলৈ লোৱা হৈছে, এই আটাই বিলাকৰে অংশ বিক্ৰী ন'হল। কিন্তু বিক্ৰী ন'হল যদিও মই চৰকাৰক অনুৰোধ জনাইছো গাওঁ পঞ্চায়ত পৰ্য্যায়ত যি এশ দুশ অংশ বিক্ৰী হৈছে সেই হিচাবতে সমবায় সমিতি বিলাক চলিব দিব লাগে। পাচত এই ব্যৱসায় চলিলে নিশ্চয় এহেজাৰলৈ অংশ বিক্ৰী হব। এই সমবায় সমিতি বিলাক আমি লব পাৰিলে আমাৰ জনসাধাৰন ধনী লাভখোৰ ব্যৱসায়ী সকলৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা পৰিব। গতিকে এই সমবায় সমিতি বিলাক জীয়াই ৰাখিবলৈ চেষ্টা কৰিব লাগে।

এই খিনিকে কৈ বক্তৃতাৰ সামৰনি মাৰিলো।

শ্ৰীমতী ৰেৱতী দাস: মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্য পালৰ ভাষণৰ প্ৰতি মই ওলগনি জনাইছো। এই কাৰণেই যে তেওঁতে তেখেতৰ ১৩ পৃষ্ঠা জোৰা ভাষণৰ মাজেদি অসমৰ প্ৰতি ছবিখন ভালকৈ দাঙি ধৰিব পাৰিছে। তেখেতে তেখেতৰ ভাষণত কৈছে যে অস্থায়ী ৰাজধানী দিশপুৰলৈ খৰতকীয়াভাবে হলেও

অনাটো সম্ভৱ হৈছে আৰু সেইদৰে ২৬ তাৰিখে গণৰাজ্য দিবসৰ দিনা অস্থায়ী ৰাজধানী ঘোষণা কৰা হৈছে। এই গুৰুত্বপূৰ্ণ ঘোষণা অসমৰ বুৰঞ্জীত উজ্বল হৈ থাকিব। কিন্তু এইখিনিতে মই মুখ্যমন্ত্ৰী মহোদয়ক এটা কথা কব বিচাৰিছো যে ইয়াত অস্থায়ী ৰাজধানী বেছি দিনলৈ ৰাখিলে নহব। ইয়াত অস্থায়ী ভাবে ৰাজধানীৰ কাম চলাই থাকিলে স্থায়ী ৰাজধানীৰ কাম পিচুৱাই যাব আনহাতে এই অস্থায়ী ৰাজধানীত খৰছ বাঢ়ি গৈ থাকিব আৰু স্থায়ী ৰাজধানীলৈ খৰছ বাঢ়ি যাব। গতিকে অতি সোনকালে যাতে স্থায়ী ৰাজধানী ঘোষণা কৰে তাৰ বাবে মুখ্যমন্ত্ৰীক অনুৰোধ কৰিলো।

ৰাজ্যপালে তেখেতৰ ভাষণত নানা শিতানত নানাভাবে আলোচনা কৰিছে। তেখেতে দুখন ঠাইৰ অশান্তিকৰ পৰিস্থিতিৰ কথা উল্লেখ কৰিছে সেয়া হ'লকোকৰাঝাৰ আৰু মঙ্গলদৈ। অৱশ্যে পৰিস্থিতি আয়ত্বাধীন হোৱা বুলি কৈছে। কিন্তু এইদৰে আগতেও ভাষাৰ মাধ্যম আৰু অনসনৰ কাৰনটো অশান্তিকৰ পৰিস্থিতি যাতে পুনৰ উদ্ভৱ নহয় সেই ক্ষেত্ৰত চৰকাৰে চোকা দৃষ্টি ৰাখিব লাগে যাতে ভবিষ্যতে আৰু পুনৰাবৃত্তি নহয়। অসমৰ শান্তিপ্ৰিয় লোকক বহুত বিভেদ-কামী আৰু সন্ত্ৰাসবাদী লোকে এনেকুৱা অশান্তিকৰ পৰিস্থিতি উদ্ভৱ কৰিবলৈ প্ৰায় চেষ্টা কৰা দেখা যায়।

আমাৰ অসমখন কৃষি প্ৰধান দেশ। কৃষিৰ আলোচনাৰ কাৰণে অৱশ্যে কেবাটাও দিশ দিছে। অসমত শতকৰা ৮০ ভাগেই খেতিয়ক ৰাইজ। গতিকে খেতি কেনেকৈ কৰিব লাগে নিশ্চয় তেওঁলোকৰ অভিজ্ঞতা আছে। কিন্তু বান-পানী আৰু প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণে আমি যিমান উন্নয়ন বা উদ্যোগমুখী হ'ব লাগিছিল সিমান হোৱা নাই। চৰকাৰে ১৯৭২ চনৰ পৰা ৰবি শষ্যকে আৰম্ভ কৰি নানা আচনি লৈছে যিবোৰ আমি আলোচনাও কৰিছো। কিন্তু সেই আচনি বিলাক ফলবতী হোৱা নাই। তাৰ কাৰণ আমি যি ধৰণে কৃষকক সা-সুবিধা দিব লাগিছিল সেই ধৰণে সকলো সময়তে স-সুবিধা যোগান ধৰিব পৰা নাই। ফলত যিখিনি উতপাদন হব লাগিছিল সেইমতে উতপাদন হোৱা নাই। ফলত ৰাইজ নিৰাশ হৈছে। আজি সেই কাৰণে নতুন আঁচনি বিলাক লবলৈ ৰাইজ আগবাঢ়ি অহা নাই। যোৱাবাৰ খেতিৰ কাৰণে চৰকাৰে ট্ৰেক্টৰ দিয়াৰ কথা আছিল, পানী যোগান ধৰাৰ কথা আছিল, বিজুলি চালিত পাম্পেৰে পানী যোগান ধৰাৰ কথা আছিল কিন্তু সময়ত সেইবিলাক হৈ নুঠিল। মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে টিপিলেই পথাৰত পানী পাব কিন্তু দুখৰ কথা পাৱাৰ পাম্প বিচাৰিলে নাপায়-ড্ৰাইভাৰ নাই-ড্ৰাইভাৰক বিছাৰি গুৱাহাটীৰ পৰা কাহিলী পাৱা যাব লগা হৈছে। ফলত ৰাইজ ব্যতিব্যস্ত হৈ উঠিছে। সেই কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে ভবিষ্যতে দুখীয়া খেতিয়ক ৰাইজ এনেকৈ দুৰ্দ্দশাগ্ৰস্থ যাতে নহয় তাৰ ব্যৱস্থা কৰিব লাগে। বাণ নিয়ন্ত্ৰন ব্যৱস্থা খেতিৰ লগত ওতপ্ৰোতঃ ভাবে জৰিত। কাৰণ বানপানী প্ৰত্যেক বছৰেই যে আহিবই ধ্ৰুব সত্য দৰে হৈছে। কিন্তু আজিৰ এই বৈজ্ঞানিক যুগত য'ত মানুহে চন্দ্ৰলোকত গৈ বসতিৰ চিন্তা কৰিছে তেনেক্ষত্ৰত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰন অস্বাভাবিক বাঅযুক্তিকৰ বুলি নাভাবো। এই খিনি কৰিব পাৰিলে 'সোনৰ অসম' সদায় 'সোনৰ অসমেই হৈ থাকিব।

বানপানীৰ পিচত আহিল প্ৰাকৃতিক দুৰ্যোগ। মাঘ মাহৰ পৰা আৰম্ভ কৰি বহাগলৈ আমাৰ ৰাইজে চৰম দুৰ্যোগৰ সন্মুখীন হব লাগে। কিন্তু আমাৰ ৰাইজৰ যি মূল সমস্যা সেই সমস্যাৰ প্ৰতি চৰকাৰ যদি সজাগ নহয় আৰু ৰাইজে বিছৰা মতে যদি সুযোগ সুবিধা দিব নোৱাৰে তেনেহলে আমাৰ ৰাইজ সদায়ে এই অৱস্থাতে থাকিব।

মই আমাৰ মুখ্যমন্ত্ৰীৰ জৰিয়তে আমাৰ মাননীয় কৃষিমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছোঁ যে, তেখেতৰ বিভাগত অনুন্নত লোক সকলৰ কাৰণে লোৱা সা-সুবিধা বিলাক অনুসূচীত জাতিৰ লোককে আদি কৰি যি সকলৰ কাৰণে এই বিলাক আঁচনি লোৱা হৈছিল, সেই লোক সকলে পোৱা নাই। সেই কাৰণেই মই তেখেতক জনাব খুজিছো যে, মোৰ জালুকবাৰী সমষ্টি আমিন গাৱত এখন অতি পিছপৰা গাওঁ আছে। সেই গাৱঁৰ শতকৰা ১০০ জন লোকেই অশিক্ষিত চিডিউল কাষ্টৰ মানুহ আৰু তেওঁলোকে দুবেলা দুমুঠি পেটভৰাই খাবলৈ নোপোৱাৰ কাৰণে তেওঁলোকৰ বেছি সংখ্যক লোকেই টি, বি বেমাৰত আক্ৰান্ত হৈছে। মই আমাৰ মাননীয় স্বাস্থ্য বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক কোৱাই মাত্ৰ চাৰি জনকহে কালাপাহাৰত থকা হস্পিটালত চিট্ দিয়াইছোঁ আৰু বাকী বিলাক এতিয়াও তাতে পৰি আছে। সেই কাৰণেই মই এই বিষয়ে আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰি এই লোক সকলৰ কাৰণে বিশেষ ভাৱে চিন্তা কৰি চাই যথাযথ ব্যৱস্থা লবলৈ আশা কৰিছো। তাৰোপৰি, মাছমৰীয়া লোকসকলৰ বহুত লোকে নিজৰ শোকলগা আৰ্থিক অৱস্থাৰ কাৰণে অন্ন-বস্ত্ৰৰ সংস্থান কৰিব নোৱাৰি বাতে পথে ঘূৰি ফুৰে। এই মাছমৰীয়া লোকসকলৰ মাছধৰা ট্ৰেইনিঙৰ কাৰণে যি আঁচনি প্ৰস্তুত কৰা হৈছিল তাত মাত্ৰ উত্তৰ কামৰূপৰ ২৫ জন লৰাকহে সেই আঁচনিত ভৰ্ত্তি কৰা হয়। তেনেকুৱা আৰু ২৫ জনৰো সেই কামৰ কাৰণে অৰ্হতা থকা ডেকা লৰা সেই গাৱঁত আছে। গতিকে এই আঁচনিত আৰু প্ৰশিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি কৰিবৰ কাৰণে মই আমাৰ মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো। সেয়ে কৰিব পাৰিলেহে সেই সমাজৰ অনুন্নত লোকসকলৰ প্ৰকৃত সেৱা কৰা হব।

আমাৰ চৰকাৰে আজি বহুতো প্ৰগতিশীল আঁচনি হাতত লৈছে যদিও আমাৰ জনসাধাৰণে যদিও এই আঁচনি বিলাকত সহাৰি জনাইছে তথাপি কিছুমান কোৰোণ থকাৰ কাৰণে চৰকাৰ আজি কঠোৰ সমালোচনাৰ সন্মুখীন হবলগা হৈছে।

তাৰ পিছত মই আমাৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে কেইআষাৰমান কব খুজিছোঁ। প্ৰাথমিক শিক্ষা শেষ কৰাৰ পিছতহে আমাৰ দেশৰ ভৱিষৎ লৰা-ছোৱালী বিলাক ক্ৰমান্বয়ে ডাঙৰ দীঘল হৈ কালিলৈ প্ৰকৃত নাগৰিক হব। কিন্তু তেওঁলোকৰ শিক্ষাৰ প্ৰাথমিক সোপান শিক্ষাৰ আদি স্তৰতে যদি আমি তেওঁলোকক দিব লগা সা-সুবিধাখিনি দিব নোৱাৰো তেতিয়াহলে, আমাৰ দেশৰ আশা ভৰষাৰ স্থল সৰু সৰু লৰা-ছোৱালী বিলাকৰ কাৰণে লোৱা প্ৰগতিশালী আঁচনি বিলাক ব্যৰ্থ হৈ যাব। 'হাফ্ এ মিলিয়ন জব্'—এই আঁচনিৰ অনুকৰণত ৬ হেজাৰ শিক্ষকক ষ্টাইপেণ্ডেৰী হিচাবত লোৱাৰ কাৰণে যি আঁচনি চৰকাৰে লৈছিল তাত আমি খুবেই সন্তোষিত হৈছিলো আৰু তাৰ কাৰণে আমাৰ চৰকাৰক ধন্যবাদো

জনাইছোঁ। কিন্তু এই সংখ্যাৰ কিছু কমাই দিয়াত এতিয়া প্ৰত্যেক চাব্-ডিভিজ্যনতে তেনেকুৱা শিক্ষকৰ সংখ্যা যথেষ্ঠ কমি গল যাৰ ফলত ইও আমাৰ শিক্ষিত নিবনুৱা সকলৰ মাজত গভীৰ হতাশা আৰু আতংকৰ সৃষ্টি কৰিছে। মোৰ সমষ্টি জালুকবাৰীত ১৫ টা পদৰ কাৰণে ৭০০ পৰিক্ষাৰ্থীয়ে দৰ্খাস্ত কৰিছিল। এইবিলাকেই হৈছে চাকৰি আদিৰ ক্ষেত্ৰত দেখা দিয়া জ্বলন্ত সমস্যা। আজি আমাৰ লৰাছোৱালী বিলাকৰ মন চাকৰীমূখী হৈছে। যোৱাকালি বাতৰি কাগজত এটা বাতৰি পৰিবেশিত হৈছে যে, এতিয়াও ১১ লাখ শিক্ষিত নিবনুৱা আমাৰ আছে। এইটো কথা সচাকৈয়ে চিন্তা কৰিবলগা কথা হৈ পৰিছে। গাৱঁত আজি লৰাই মেট্ৰিক পাছ কৰিয়েই চাকৰী বিছাৰি টাউনলৈ আহিছে আৰু চাকৰি বিছাৰি অফিছে অফিছে ঘূৰি ফুৰিছে। আজি কিয় এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছে ? এই সৰু সৰু লৰা বিলাকে মেট্ৰিক পাছ কৰি কলেজলৈ যাব লাগিছিল উচ্ছ শিক্ষাৰ কাৰণে কিন্তু তাকে নকৰি তেওঁলোকে আজি চাকৰি বিছাৰি বিচাৰি এইদৰে অফিছে অফিছে ঘূৰি ফুৰিব লগা হৈছে। নিজৰ শোকলগা আৰ্থিক অৱস্থাৰ কাৰণে অন্নবস্ত্ৰৰ সংস্থান কৰিব নোৱাৰিয়েই এইদৰে হাবাথুৰি খাই ফুৰিবলগা হৈছে। এই কথাটো গভীৰ ভাৱে চৰকাৰে চিন্তা কৰি আমাৰ দেশত যি বিলাক পৰম্পৰাগত শিল্পোদ্যোগ আছে সেইবিলাকৰ উন্নতিসাধন কৰি আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগ আদি প্ৰতিষ্ঠা কৰি এই দুখীয়া শ্ৰেণীৰ লোকসকলক নিয়োজিত কৰাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ : আপুনি শেষ কৰিবলৈ চেষ্টা কৰক।

শ্ৰীমতী ৰেৱতীবালা দাস : ৰাজ্যপালৰ ভাষণত নিবনুৱা যুৱক সকলৰ কাৰণে চিন্তা কৰি উল্লেখ কৰিছে যদিও আমাৰ বয়স্ক ভোটাৰৰ আধাঅংশ মহিলা হোৱা স্বত্বেও তেওঁলোকৰ কোনো উল্লেখ ৰাজ্যপালৰ ভাষণত নথকাটো অতি দুখলগা কথা হৈছে। আমাৰ দেশৰ প্ৰগতিবাদী আঁচনি বিলাকৰ পৰা যদি আমাৰ মহিলা সকলক বাদ দিয়া হয় তেতিয়াহলে, আমাৰ চৰকাৰে সমাজবাদৰ যি চিন্তা কৰিছে সি ব্যৰ্থ হৈ যাব। আৰু প্ৰগতিৰ বাটত আগুৱাই যাব নোৱাৰিম। আমাৰ সমাজৰ মহিলা সকলৰ মাজত কাপোৰ বোৱা যিটো শিল্প আছিল সেই শিল্পটো আজি ক্ৰমান্বয়ে নাইকীয়া হৈ যাব ধৰিছে। এইটো বৰ দুখজনক কথা হৈ পৰিছে। আমি যি পৰিমাণে আমাৰ গাৱঁলীয়া মহিলাসকলক সূতা আদিৰ যোগান ধৰিবলাগিছিল সেই পৰিমাণে আমি সূতা আদিৰ যোগান ধৰিব পৰা নাই। আজি সূতা বজাৰত দুষ্প্ৰাপ্য হৈ পৰিছে। এই দুষ্প্ৰাপ্য হৈ থকা কাপোৰ বোৱা বস্তুবিলাক সোনকালেই আমাৰ চৰকাৰে মহিলা শিপিনী সকলৰ হাতত দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ অসমৰ শোৱালকুচিৰ পাত-মুগা অসম নেলাগে ভাৰতবৰ্ষৰ ভিতৰতে প্ৰখ্যাত। এই বহুমূলীয়া শিল্পটো যাতে মৰি নেযায় তাৰ কাৰণে দৃষ্টিপাত কৰিবলৈ মই আমাৰ চৰকাৰক নিবেদন জনাইছোঁ। অৱশ্যে এটা কথাত মই আমাৰ উদ্যোগ মন্ত্ৰী মহোদয়ৰ শলাগ লৈছোঁ। সেইটো হৈছে যে, তেখেতে যোৱা বিত্তীয় বছৰটোত ১৫০ গৰাকী তাঁত শিল্পীক প্ৰত্যেককে আঢ়ৈ হেজাৰ কৈ এটা সুবিধা আগবঢ়াইছে। ইয়াৰ দ্বাৰা আমাৰ কিছুমান নিবনুৱা তাঁতশিল্পীয়ে সুবিধা পাইছে। তাৰোপৰি মই আৰু এটা কথা মাননীয় মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰো। সেইটো হৈছে যে, পাত সূতাত দিয়া গুণা তৈয়াৰী কৰা

মেচিনাৰীটো বৰ্ত্তমান বেনাৰচত আছে। এইটো শোৱালকুচিলৈ আনিব লাগে। অধ্যক্ষ মহোদয়, আৰু কেইবাটাও বিষয়ত মোৰ আলোচনা কৰিব লগা আছিল কিন্তু সময়ৰ নাটনিৰ কাৰণে মই গোটেইখিনি আলোচনা কৰাটো সম্ভৱপৰ নহব। গতিকে যিখিনি বিষয় উল্লেখ কৰা হৈছে সেইখিনিৰ প্ৰতি মই মোৰ সমৰ্থন জনাইছোঁ। লগতে সমাজখনৰ উন্নতিৰ কাৰণে যিখিনি আঁচনি ডাঙি ধৰা হৈছে সেই আঁচনি বিলাকৰ দ্বাৰা যেন আমাৰ সমাজৰ পৰা ধনী দুখীয়াৰ মাজৰ প্ৰাৰ্থক্যখিনি নাইকীয়া হৈ যায় আৰু তাৰ দ্বাৰা যেন আমাৰ সমাজৰ দুখীয়া শ্ৰেণীটোৰে বেছি সুবিধা হয় সেইটোৰ প্ৰতি দৃষ্টি ৰাখিবলৈ অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীকেহোৰাম হাজৰীকা : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ খন মই ভালদৰে অধ্যয়ণ কৰি চাইছো। এই কথা নিৰ্বিঘ্নেই কব পাৰি যে, ৰাজ্যপালৰ ভাষণটো গতানুগতিক ভাৱে দিব লাগে কাৰণেইহে দিছে আৰু তাৰ মাজেদি আমাৰ চৰকাৰৰ আত্মসন্তুষ্টিৰ ভাৱ এটাহে পৰিস্ফুত হৈ পৰিছে। গত বছৰটোৰ চৰকাৰৰ কামৰ যি খিনিৰ খটিয়ান ৰাজ্যপালৰ ভাষণৰ যোগেদি দাঙি ধৰা হৈছে এই খিনিৰ মাজেদি চৰকাৰে ইয়াকে প্ৰতিপন্ন কৰিব বিছাৰিছে যে, চৰকাৰে যিখিনি কাম কৰিছে সেই খিনিয়েই যথেষ্ট হৈছে। কিন্তু কোনো সুস্থ আঁচনিৰ আভাষ আমাৰ জনসাধাৰণৰ সন্মুখত চৰকাৰে দাঙি ধৰিব পৰা নাই। ৰাজ্যপালৰ ভাষণৰ যোগেদি আমাৰ চৰকাৰে কৰা কামৰ যি আত্মসন্তুষ্টৰ মনোভাব ফুটি ওলাইছে সেই আত্মসন্তুষ্টি মূলক ভাৱৰ দ্বাৰা আমাৰ দেশখনক প্ৰগতিৰ পথত আগুৱাই নিয়াতকৈ চৰম সংকতৰ ফালেহে ঠেলি নিব। সেই ফালৰ পৰা আজি প্ৰয়োজন হৈছে যে আমাৰ যি বিলাক মৌলিক সমস্যা সেই বিলাকৰ সম্পৰ্কে ৰাজ্যপালৰ ভাষণত কিবা ইঙ্গিত আছেনে নাই। মৌলিক সমস্যা বোলোতে প্ৰথমতে হৈছে, এটা জলন্ত সমস্যা হৈছে বস্তুৰ মূল্য বৃদ্ধি। আমাৰ ৰাজ্যখনত প্ৰত্যেক বস্তুৰেই দাম এনেকৈ বাঢ়িবলৈ লৈছে যে সাধাৰণ মানুহে জীৱন ধাৰণ কৰাই টান হৈ পৰিছে। মানুহৰ দৈন্যতা অনাহাৰ কাপোৰ কানিৰ অভাব দিনে দিনে বাঢ়ি গৈছে। এই বিলাকৰ কথা ৰাজ্যপালৰ ভাষণত নাই। আমি জনাত কোনো কোনো বস্তুৰ দাম শতকৰা ২০০, আৰু কোনো কোনো বস্তুৰ দাম ৩০০ আৰু কোনো কোনো বস্তুৰ দাম ৪০০ টকালৈকে বাঢ়িছে। নিমখৰ প্ৰতি কিলোত ১ টকা পৰ্য্যন্ত হৈছে। আমাৰ ৰাজ্যখন কৃষি প্ৰধান। আৰু এনে অৱস্থাত চাউলৰ প্ৰত্যেক কিলোৰ দাম ৩।৪ টকা পৰ্য্যন্ত হৈছে আৰু মিঠাতেলৰ দাম গোটেই ৰাজ্যখনত গড় হিচাবে ধৰিলে প্ৰতি কিলোত ১৫ টকালৈকে উঠিছে। এই দৰেই জন সাধাৰণৰ ওপৰত চৰকাৰে খেলা কৰিছে আৰু জিনিচ পত্ৰৰ মূল্য বৃদ্ধিত জনসাধাৰণে প্ৰমাদ গনিছে। এই ক্ষেত্ৰত চৰকাৰ নিৰপেক্ষ দৰ্শক হিচাবে এই কথাই কবলৈ গৈছে যে সমগ্ৰ পৃথিবীতেই বস্তু বাহানিৰ দাম বাঢ়িছে। গতিকে ভাৰতবৰ্ষ বা অসমত তাৰ প্ৰতিক্ৰীয়া হব তাত চৰকাৰে কৰিব লগীয়া একো নাই। আমি জনাত পৃথিবীৰ ধনতান্ত্ৰিক দেশ বিলাকত মূল্য বৃদ্ধি হৈছে। কিন্তু সমাজ তান্ত্ৰিক দেশ বিলাকৰ দৰে বৃদ্ধি হোৱা নাই। বৰং তাত মূল্য হ্ৰাস কৰিবলৈ চেষ্টা কৰা হৈছে। ধনতান্ত্ৰিক দেশ বিলাকত শতকৰা ৩৫ ভাগৰ পৰা শতকৰা ৪০ ভাগলৈ দাম বৃদ্ধি হৈছে কিন্তু গনতান্ত্ৰিক দেশ বিলাকত শতকৰা ১০০

ভাগৰ পৰা শতকৰা ৪০০ ভাগলৈকে দাম বৃদ্ধি হৈছে। ধনতান্ত্রিক দেশ বিলাকৰ মূল্য বৃদ্ধিৰ কথা কৈ আমাৰ ৰাজ্যত মূল্য বৃদ্ধিৰ গতি ৰোধ কৰিব নোৱাৰিলে জনসাধাৰণক ৰক্ষা কৰিব পৰা টান হব। গতিকে সেই ফালৰ পৰা মই কব খুজিছো যে চৰকাৰে এই বিষয়ত মনোযোগ দিয়ে আৰু যোৱা নবেম্বৰ মাহত চাউলৰ যিটো দাম আছিল অৰ্থাৎ ১·২৫ পইচাৰ পৰা ১·৩০ পইচাৰ যিটো দৰ আছিল সেই দৰ চৰকাৰে ধান চাউলৰ পাইকাৰী ব্যৱসায় নিজৰ হাতলৈ নিয়াৰ পিচত চাউলৰ প্ৰতি কিলোগ্ৰামত ১·৫৭ ৰ পৰা ১·৭০ পইচা পালেগৈ। তাৰোপৰি বিভিন্ন আবকাৰী কৰ বঢ়োৱাৰ পিচত কেৰাচিন আৰু পেট্ৰল জাত সামগ্ৰিৰ দাম দুই গুন হল। এই দৰেই আমাৰ দেশত কল্যাণ মূলক যি বিলাক আচনি লৈছে সেই বিলাকত কোনো ৰকমেই কৃতকাৰ্য্য লাভ কৰিব পৰা নাই মূল্য নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত মিল মালিক সকলক বা পুজি পতি সকলক সন্তুস্ত কৰিবৰ কাৰণে চৰকাৰে নিজেই দাম বঢ়াই দিছে। ইয়াৰ ফলত ভাৰতবৰ্ষত চোৰাং কাৰবাৰী, মজুতদাৰ মিলমালিক সকলে ইচ্ছা মতে মূল্য বৃদ্ধি কৰিবলৈ সাহস পাইছে। আৰু বস্তুৰ কৃত্তিম অনাটনৰ সৃষ্টি কৰিছে। এই বিলাক বাধা দিয়াৰ আমাৰ চৰকাৰৰ দায়িত্ব আছে। গতিকে মই চৰকাৰক অনুৰোধ কৰো যে যোৱা নবেম্বৰ মাহত বস্তু বাহানিৰ যি মূল্য বিশেষকৈ চাউলৰ সেই মূল্যতে জনসাধাৰণে যাতে পায় তাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ গাওঁ অঞ্চলত মানুহক প্ৰত্যেককে এপোৱাকৈ চাউল লাগে। সেই দৰে চাউল খাবলৈ হলে সপ্তাহত চাৰে তিনি কেজিকৈ চাউল লাগে। কিন্তু তাৰ ঠাইত চৰকাৰে চহৰ অঞ্চলত সপ্তাহত এপোৱা আধা কিলোকৈ প্ৰতি মানুহক দিছে আৰু গাওঁ অঞ্চলত মাহেকত প্ৰতি মানুহক এক কিলোমানকৈহে চাউলৰ যোগান ধৰিছে। এই ৰকমে হলে গাওঁ অঞ্চলৰ মানুহ জীয়াই থাকিব নোৱাৰিব আৰু এই দৰেই চাউল খাদিৰ পৰিমান কমাই দিয়াৰ ফলত জনসাধাৰনৰ মনত অসন্তুস্তিৰ সৃষ্টি হৈছে। গতিকে মই চৰকাৰক এইটোকে কব খুজিছো যে যোৱা নবেম্বৰ মাহত চাউলৰ যি দাম আছিল সেই দামত গাও অঞ্চলৰ মানুহ বিলাকক প্ৰত্যেক সপ্তাহত অন্তত: পক্ষে চাৰে তিনি কিলো গ্ৰাম কৈ চাউল দিয়াৰ ব্যৱস্থা কৰে। ইয়াৰ উপৰিও মই এই কথা জনাব খুজিছো যে চৰকাৰে বান্ধি দিয়া দামত খেতিয়ক সকলৰ ধান বিক্ৰী হোৱা নাই। চৰকাৰে বান্ধি দিয়া ৭০ টকাৰ ঠাইত মোনে ৪৫ বা ৫০ টকা হৈছে। আৰু যি যি ঠাইত চৰকাৰে ধান কিনিব পৰা নাই সেই ঠাই বিলাকত এজেণ্ট সকলে মোনে প্ৰতি ২০।২৫ টকাত কিনিব লাগিছে। এই অৱস্থাৰ মাজত এইটো পৰিলক্ষিত হৈছে যে দেশত চোৰাং বেপাৰ আৰু মজুত খোৰৰ সংখ্যা বৃদ্ধি পাইছে আৰু দুখীয়া ৰাইজৰ দুখ দুৰ্দ্দশা বাঢ়িছে। সেই কাৰণে মই কও চৰকাৰে ইয়াৰ প্ৰতি বিধান কৰা তেওঁলোকৰ পবিত্ৰ কৰ্ত্তব্য আৰু গাৱৰ মানুহে ব্যৱহাৰ কৰা সামগ্ৰী সমূহ সূতা আতি দুস্পাপ্য বস্তু বিলাকৰ পাইকাৰী ব্যৱসায় চৰকাৰৰ হাতলৈ আনিব লাগে আৰু যোৱা নবেম্বৰ মাহৰ আগতে যি দাম আছিল সেই দামৰ ওপৰত ভিত্তি কৰি এই বস্তু বিলাক যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে।

ইয়াৰ পিচত মই কৃষি সম্পৰ্কত অলপ কও। আমাৰ দেশ কৃষি প্ৰধান দেশ। কৃষিৰ উন্নতি নহলে দেশে কোনো প্ৰকাৰে উন্নতি কৰিব নোৱাৰে।

গতিকে কৃষিৰ উতপাদন আমি বৃদ্ধি কৰিব লাগিব। কৃষিৰ উৎপাদন আমাৰ কম যে ভাৰতবৰ্ষৰ ৬০ কোটি মানুহৰ ভিতৰত ১৯৭৩-৭৪ চনত ১১.৪ কোটি টন খাদ্য বস্তু উতপাদিত হৈছিল। আনহাতে আমি পৃথিবীৰ অন্য ৰাষ্ট্ৰলৈ মন কৰিলে দেখো যে ৰাচিয়াত ১৮ কোটি মানুহৰ ভিতৰত ১৬ কোটি টন আৰু আমেৰিকাত ২২ কোটি মানুহৰ ভিতৰত ১৮ কোটি শষ্য উতপাদিত হৈছিল। আমাৰ দেশ খন এখন বিশাল হলেও বা কৃষি প্ৰধান দেশ হলেও আমাৰ দেশে প্ৰত্যেক বছৰে অন্য দেশৰ পৰা খাদ্য বস্তু আমদানি নকৰিলে চলিব নোৱাৰে। এই আমদানিৰ ফলত সেই ধনতান্ত্ৰিক দেশ বিলাকে তেওঁলোকে যোগান ধৰা খাদ্য সামগ্ৰীৰ জৰিয়তে আমাৰ ৰাষ্ট্ৰৰ সাৰ্বভৌমত্য, ৰাজনীতি আদিত হস্তক্ষেপ কৰিবলৈ সাহস পাইছে। এখন দেশৰ অৰ্থনৈতিক উন্নতি নিভৰ কৰিছে কৃষিৰ উন্নতিৰ ওপৰত। কৃষি উন্নতি নহলে আমাৰ ৰাষ্ট্ৰই কোনো প্ৰকাৰেই উন্নতি কৰিব নোৱাৰে। গতিকে কৃষিৰ আচনিত জোৰ নিদিলে যিমানেই উন্নতি হৈছে নোবোলক সেই যি বিপ্লব অনা হৈছে নোবোলক সেই বিলাক অবান্তৰ। আমাৰ কৃষি সম্পূৰ্ণ প্ৰাকৃতিৰ ওপৰত নিৰ্ভৰশীল। গতিকে যেতিয়া বতৰ ভাল হয় তেতিয়াই চৰকাৰে ধাক ঢোল বজাই কৈ দিয়ে যে এইবাৰ বাম্পাৰ কৰণ হৈছে দেশ স্বাবলম্বী হব পাৰিব।

অধ্যক্ষ মহোদয়, যি বছৰ বানপানী নাইবা কোনো প্ৰাকৃতিক দুৰ্যোগে খেতি নষ্ট কৰে সেই বছৰ কোৱা হয় যে ঈশ্বৰৰ গাত দোষ, ভগবানৰ গাত দোষ, ভগবানে আমাৰ দেশৰ এইটো অপকাৰ কৰিছে। গতিকে আমাৰ কৰণীয় কি আছে? মহোদয়, আমাৰ দেশৰ প্ৰতি চৰকাৰৰ এটা দায়িত্ব আছে কৃষি উন্নতিৰ কাৰণে আজি পাচ বছৰীয়া ৪ টা পৰিকল্পনা পাৰ হৈ গল। এই ৪ টা পৰিকল্পনাত বহুত শ কোটি টকা কৃষি বিভাগত খৰচ কৰা হৈছে। আজি দেখা গৈছে যে, দুখীয়া খেতিয়কৰ ভাগ্যত মাটি নিমিলে, সাৰ নিমিলে, কঠিয়া নিমিলে। পানীৰ কথা এটা বাতুলতা মাত্ৰ। এই পানীৰ কাৰণে ঠায়ে ঠায়ে ভেকুলীৰ বিয়া পাতিব লগা হয়। আজি এনেধৰণৰ অৱস্থাৰ ওপৰতে আমাৰ দেশ চলি আছে। ৰবিশস্যৰ ক্ষেত্ৰত আমাৰ কেইবাজনো সদস্যই কৈছে, এই সম্পৰ্কে মই উল্লেখ নকৰো। এই ৰবিশস্যৰ দিনতে যোৱা বাৰ ঘেহুঁৰ খেতি কৰিব বুলি শুনিলো। এই বছৰ ঘেহু কৰিবলৈ কঠিয়া দিব নোৱাৰিলে। আলু আদি অন্যান্য খেতি কৰিবলৈও মানুহে সময় মতে সাৰ আদি বিচাৰি নাপায় আৰু যেতিয়া বিচাৰি পায়, তেতিয়া কিনিবৰ বাবে ক্ষমতা নাথাকে। সাৰৰ দাম ইমান বাঢ়ি যায় যে, সেইটো কিনাৰ ক্ষমতাৰ বাহিৰত। এই ক্ষেত্ৰত অসমৰ কৃষিৰ উন্নতিৰ কথা চিন্তা কৰাটো এটা সপোন মাত্ৰ। এই সপোন আৰু বাস্তৱত পৰিণত নহব। অসমত খেতিৰ উন্নতি কৰিবলৈ হলে জনসাধাৰণক, খেতিয়ক সকলক সংঘবদ্ধ কৰিব লাগিব। তেওঁলোকক সহায় দিয়া হব। আজি ভাৰতবৰ্ষত বেংক নেচনেলাইজ কৰিছে। আমি ভাবিছিলো যে, অন্ততঃ অসমৰ খেতিয়ক সকলে এই বেংকৰ পৰা সহায় সহযোগ পাব। কিন্তু আজি কাৰ্য্যক্ষেত্ৰত আমি কি দেখিবলৈ পাইছো? এই বেংক বিলাকে কাক ঋণ দিছে, যিবিলাক মজুত কাৰী, চোৰাং কাৰবাৰ যি বিলাকে কৃত্ৰিম অনাটনৰ সৃষ্টি কৰে সেইবিলাককে এই ঋণ দিয়া হৈছে। আমাৰ দুখীয়া কৃষকে বাটকুৰি বাইও এই ঋণ নাপায়। চৰকাৰ এইদৰে নিৰ্ব্বাক হৈ

থাকিলে আৰু কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহন নকৰিলে আমাৰ দেশৰ কৃষিৰ উন্নতি কেতিয়াও হব নোৱাৰে। অধ্যক্ষ মহোদয়, তৃতীয়তে মই ভুমি সংস্কাৰ সম্পৰ্কত কেইটামান কথা কব বিচাৰিছো। এই সম্পৰ্কে এই সদনত বহুবাৰ আলোচনা হৈছে। এই সন্মানিত সদনতেই ১৯৭০-৭১ চনত ভুমি সংস্কাৰ আইন পাচ কৰিছে। এই আইন খন বিভাগৰ এখন প্ৰগতিশীল আইন, ৰায়তীস্বত্ব সাব্যস্ত কৰা আইন। মাটিৰ উচ্চতম সীমা নিৰ্দ্ধাৰণৰ আইন। এই আইন বিলাক আইনতে আছে। ইয়াত কৈছে যে একলাখ মান মানুহক ৰায়তী স্বত্বত লিপিবদ্ধ কৰা হৈছে। মই ৰাজহমন্ত্ৰীক সুধিব খুজিছো যে ফাল কাটোটেই মাহৰ বতৰ গল। নগাৱত আজি কি হৈছে? আজি ইমান দিনে এটাও মেচিনেৰী বহুৱাব নোৱাৰিলে। গতিকে দেখা গৈছে যে এই কৃষি বিভাগটোৱে ব্যৰ্থতাৰ সন্মুখীন হৈছে। এই খিনিতে মই এটা কথা সুধিব খুজিছো যে আজি পৰিমিত ভুমি সংস্কাৰ আইনখন কিয় কাৰ্য্যকৰী হোৱা নাই? ইয়াত বাধা কোনে দিছে? বুৰক্ৰেচিয়ে দিছেনোক? মই কও বুৰক্ৰেচিয়ে দিয়া নাই। কংগ্ৰেচৰ ভিতৰত থকা প্ৰতিক্ৰীয়াশীল শক্তিয়ে ইয়াত বাধা দিছে। এই কথাটো সত্য নহয়নে যে এ, পি, চি, চিৰ মিটিঙত এই আইনৰ বিৰোধিতা কৰা হৈছে? এইটো কথা সত্য নহয়নে যে ৰাজহমন্ত্ৰীয়ে এই আইন কাৰ্য্যকৰী কৰাত যিমান উৎসাহ উদ্দীপনা লব লাগে সিমান লোৱা নাই? মই যোৱাবাৰ ৰাজহমন্ত্ৰীক কৈছিলো ইয়াৰ অফিচ কিয় নগাৱত হোৱা নাই? আজি বহুতো কৃষকক উদ্দেশ্য কৰা হৈছে। অসমৰ ইমুৰৰপৰা সিমুৰলৈ লাখ লাখ কৃষকক মালিকে টঙনিয়াই হত্যা কৰিছে। আজি চৰকাৰে চাহবাগান, মহাজন, জমিদাৰৰ হাতত থকা মাটি উলিয়াই আনিবলৈ কি প্ৰচেষ্টা হাতত লৈছে? যেতিয়া মাটিৰ উচ্চতম সীমা ১৫০ বিঘা বান্ধি দিয়া হৈছিল তেতিয়া চাহবাগানৰ মালিক সকলে যি ৰিটাৰ্ন চাবমিট কৰিছিল সেই একে ৰিটাৰ্নকে পুনৰ চাবমিট কৰিছিল, যেতিয়া মাটিৰ সীমা ৭৫ বিঘা বান্ধি দিয়া হৈছিল। আৰু তাত থকা খেতিয়ক সকলক উচ্ছেদ কৰি নিৰ্য্যাতন দিয়া হৈছিল আজি দেখা গৈছে যে, গোটেই অসমতে এটা খেতিয়ক জীৱনৰ ওপৰত এটা অৰাজকতাৰ সৃষ্টি কৰিছে। মহোদয়, মই নিজে কেইবাবাৰো বাতৰি কাকতত নিজে বিবৃতি দিছিলো আৰু মুখ্য মন্ত্ৰী মহোদয়ৰ ওচৰলৈও আহিছিলো, ৰাজহ মন্ত্ৰীৰ ওচৰলৈও আহিছিলো আৰু কৈছিলো যে, আমাৰ নগাওত কি ব্যৱস্থা কৰিছে? কাকী ৰিৰ্জাভত বহুতো মানুহক মৰিয়াই বান্ধিছে, মাইকী মানুহে ভাত খাই থাকোতে জুই লগাই দিছে, লৰা ছোৱালী পলাই সাৰিছে। খেতিয়ক সকলক পুলিচৰ বেৰেকত ৰাখি মৰিয়াই আধামৰা কৰিছে। লুতুমাৰী ৰিৰ্জাভতো সেই একে অৱস্থা। আমাৰ ৰাজহমন্ত্ৰীয়ে হনুমন্তৰ নিচিনাকৈ গোটেই অসমতে জুই লগাই দিছে। অসমত যিবিলাক খেতিয়ক আছে সেই সকলোকে আজি ধ্বংসৰ পথলৈ ঠেলি দিছে। আজি খেতিয়ক সকলে সাধাৰণতে যি উপাৰ্জ্জন কৰি লৰা ছোৱালীক পঢ়ুৱায় সেই উপাৰ্জ্জনকো হাতী পঠিয়াই নষ্ট কৰি দিয়া হৈছে। এই সম্পৰ্কে মই ৰাজহমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ দৃষ্টি গোচৰ কৰিছিলো, কিন্তু তাৰ কোনো ব্যৱস্থা হোৱা নাই। আজি এইদৰে অসমৰ ইমুৰৰ পৰা সিমুৰলৈ খেতিয়ক সকলক উচ্ছেদ কৰি তাণ্ডৱলীলাৰ সৃষ্টি কৰা হৈছে। আজি অসমৰ কোন ঠাইত কৃষক উচ্ছেদ হোৱা নাই? কাকী ৰিৰ্জাভত ৫০-২৫ টকা জৰিমনা লৈ ধান কৰিবলৈ দিয়া হৈছিল। তাৰ পিচত

খেতিয়ক সকলৰ ঘৰ জলাই দি উচ্ছেদ কৰা হৈছে। খেতিয়ক সকলে বেদখল কৰাৰ প্ৰতিশোধ লৈছে । কংগ্ৰেচৰ ২৫ বছৰীয়া শাসনৰ ভিতৰত এই খেতিয়ক সকলক বঞ্চিত কৰি আহিছে। কংগ্ৰেচ চৰকাৰ ইয়াৰ বাবে দায়ী নহয় বুলি কব গৈছে নেকি ? অসমত বহুত মাটি বিতৰণ কৰা হৈছে, এই মাটি কাৰ নামত বিতৰণ কৰা হৈছে ?

নগাওঁ জিলাৰ কাকী মৌজাত আমাৰ দুখীয়া খেতিয়ক সকলক চৰকাৰে নিৰ্ম্মম ভাবে উচ্ছেদ কৰি অশেষ নিৰ্য্যাতন দিছে। মাননীয় অধ্যক্ষ মহোদয়, তাত ৩৯ হাজাৰ বিঘা মাটি বিতৰণ কৰি দিয়া হয়। কিন্তু যিবিলাক মানুহৰ মাটি খেতি আৰু খেতিয়কৰ লগত কোনো সম্পৰ্ক নাই। সেইবিলাক মানুহেই তাত গাইপতি ৪।৫।৬।৭ টাকৈ চাম দখল কৰি জমীদাৰী চলাই আছে। মহোদয়, আপোনাক জনোৱা ভাল হব যে, একোটা চামত ২৫ বিঘাকৈ মাটি আছে। সেই মানুহ বিলাকে তাত জমীদাৰী চলাই আছে কিন্তু আধিয়াৰ আইন, চিলিং আইন আদি প্ৰযোজ্য হয় কেৱল আমাৰ দুখীয়া খেতিয়ক সকলৰ ক্ষেত্ৰতহে। ফলত আজি এই লোকসকলক কামলাত পৰিণত হৈছে। কামলা কৰি কৰি এই লোক সকলৰ কোনোবাই যদি হাবি জংগল চাফ কৰি ২।১ বিঘা মাটি লৈছিলগৈও তথাপিও তেওঁলোকক চৰকাৰে নিৰ্ম্মম ভাৱে উচ্ছেদ কৰি উঠাই দিছে। চৰকাৰে যোৱা দুবছৰৰ ভিতৰত এই ঘোষণা কৰিছিল যে তেওঁলোকে কৃষিপাম নিগমৰ জৰিয়তে দুখীয়া খেতিয়কৰ মাজত মাটি বিতৰণ কৰিব। কৃষি পাম নিগম আই-নতো লিখা আছে। কিন্তু আজি যিমান কৃষিপাম নিগম আৰম্ভ হৈছে তাৰ যোগেদি হলে চৰকাৰে কোনো মাটি পোৱা নাই।

মাননীয় অধ্যক্ষ : আপুনি শেষ কৰিবলৈ চাওক।

শ্ৰীকেহোৰাম হাজৰিকা : যোৱা অক্টোবৰ মাহতে নগাও কৃষিপাম নিগম খনি গঠন কৰা হল। দুখীয়া মাটিহীন মানুহক তাত বহুৱাবৰ কাৰণে কমিটিও গঠন কৰি দিয়া হল। এই লোক সকলে কৃষিপাম নিগমৰ চেয়াৰও কিনি ললে। সেই মানুহ বিলাকে আজিলৈকে পাম খাম বুলি আশাপালি বহি আছে। এইদৰে যিমান বিলাক কৃষিপাম নিগম গঠন কৰা হৈছে সেই বিলাকৰ যোগেদি দুখীয়া খেতিয়কক মাটি দিয়াৰ পৰিবৰ্ত্তে তেওঁবিলাকক বঞ্চিতহে কৰা হৈছে। ১৯৬৮ চনৰে এটা আচনি কৰি তাত মানুহ বহুৱাবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা যি আঁচনিৰ টকা আহিছিল সেই মতে আজিলৈকে তাত মানুহ বহুৱা নহল। কেন্দ্ৰীয় চৰকাৰৰ সেই টকা কলৈ গ'ল—তাৰ কোনো সন্ধানেই নোহোৱা হ'ল। দুখীয়া মানুহেও মাটি পোৱা নাই। এইদৰে দুখীয়া খেতিয়কক মাটিৰ পৰা বঞ্চিত কৰা হৈছে। সেইকাৰণেই মই কব খুজিছোঁ যে ভূমিসংস্কাৰৰ কাৰণে বিধিবদ্ধ ৰাজহুৱা কমিটি গঠন কৰিব লাগে। এনেধৰণৰ কমিটি গঠন কৰাৰ কাৰণে বহুবাৰ আলোচনা বিলোচনা হৈ গৈছে। আজি কেৱেলা ৰাজ্যত এই ধৰণৰ ৰাজহুৱা কমিটি গঠিত হৈছে। তাত মাটিৰ মালিকে খেতিয়ক জনক উচ্ছেদ কৰিবলৈ যোৱা হলে—তাত থকা ৰাজহুৱা কমিটিৰ সন্ধানত জৰানাদিহি কৰি জেইললৈ যাবলগীয়া অৱস্থা কৰিলেহেঁতেন। কিন্তু আমাৰ দেশতেই এনেকুৱা ব্যৱস্থা কৰিব পাৰিও কৰা নাই। কিয়নো পলম যিমানেই হয় সিমানেই স্বাৰ্থ ৰক্ষা হব বুলি ভাবিছে। গতিকে মই দাবী জনাইছোঁ যে—এনেকুৱা কমিটি

অতি সোনকালে আমাৰ ৰাজ্যত গঠিত হব লাগে। আৰু যিবিলাক মানুহৰ মাটি আবাদ কৰাৰ কাৰণে মাটি-বাৰী হীন হৈ কেম্পত থাকিব লগা হোৱা মানুহ বিলাকক অচিৰেই মাটি দিয়াৰ বন্দোবস্তী কৰি দিব লাগে। নিগমৰ জৰীয়তেই হওক বা অন্যান্য যি কোনো ব্যৱস্থাৰ দ্বাৰাই হওক—এই মানুহ বিলাকক অন্ন-বস্ত্ৰৰ সংস্থান দি জীয়াই থকাৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে মহোদয়, মোৰ কবলগীয়া আৰু বহুতো বিষয়েই আছিল কিন্তু সময়ৰ নাটনিৰ কাৰণে এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীসুৰেণ দাস : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপালৰ ভাষনৰ ওপৰত আমাৰ বন্ধু মাননীয় সদস্য শ্ৰীপণ্ডিত ডাঙৰীয়াই যিটো প্ৰস্তাৱ ডাঙি ধৰিছে তাক মই সমৰ্থন কৰি দুষাৰ মান কবলৈ আগবাঢ়িছো। ৰাজ্যপালৰ ভাষনত আমাৰ দেশখনৰ এটা সুন্দৰ ছবি ডাঙি ধৰিবলৈ সমৰ্থ হৈছে। অৱশ্যে আজি আমাৰ দেশখনত যিটো পৰিস্থিতিৰ উদ্ভৱ হৈছে সেই পৰিস্থিতিলৈ লক্ষ্য কৰি আমি স্বীকাৰ কৰিব লাগিব যে আমাৰ দেশখন স্বাধীন হোৱাৰ পিছৰেপৰা, ১৯৪৭ চনৰ পিছৰেপৰা আমাৰ সমূহ জনতাই, মাননীয় সদস্য সকলে বিশেষকৈ বিৰোধী দলৰ সদস্য সকলেই শ্বিলঙৰ পৰা ৰাজধানী স্থানান্তৰ কৰাৰ প্ৰস্তাৱ আনিছিল আৰু সেই প্ৰস্তাৱ অনুযায়ী ৰাজধানী স্থানান্তৰ কাৰ্য্যত আগবাঢ়ি মাননীয় মুখ্য মন্ত্ৰীৰ সত্য প্ৰচেষ্টা আৰু তত্‌পৰতাৰ কাৰণে শ্বিলংৰ পৰা ৰাজধানী গুৱাহাটীলৈ নমাই আনি আমাৰ চৰকাৰৰ শতাব্দি জোৰা আশা বাস্তৱত ৰুপায়িত কৰি তোলাতো সম্ভৱ কৰি তুলিলে আৰু আমাৰ জনতাৰ বহু দিনিয়া আশা সফলকাম হ'ল।

আমাৰ মাননীয় সদস্য সকল যেতিয়া তেওঁলোকৰ সমষ্টিৰ ফালে যায় তেতিয়া তেওঁলোকক সমষ্টিৰ মানুহবিলাকে যে-লংকালৈ যেয়ে যায় সিয়ে ৰাৱন হয় কিন্তু আজি সেই লংকাও নাই ৰাৱনো নাই কিন্তু প্ৰকৃততে সেইটো নহয় আজি আমাৰ ৰাজ্যখনত উদ্ভৱ হোৱা নানা সমস্যাৰ সন্মুখীন হব লগীয়া হোৱাই আমাৰ ৰাজ্যখনৰ আমাৰ দেশখনক আৰু আমাৰ চৰকাৰৰ প্ৰশাসনীক যন্ত্ৰটো নিকা পন্থাৰে নকৈ গঢ় দিবলৈ আমাৰ মাননীয় সদস্য সকল আমাৰ চৰকাৰৰ বিভিন্ন মহলত থকা দায়িত্ব শীলবিষয়া আৰু কৰ্ম্মচাৰী সকল মহা চিন্তাত পৰিছে। আজি আনক দোষ দি একো লাভ নাই, এই দোষৰ ভাগি হব লাগিব আমি সকলোৱেই। দেশ খনৰ মঙ্গলৰ কাৰণে, দেশখনৰ কল্যানৰ কাৰণে আমাৰ চৰকাৰৰ সকলো শ্ৰেণীৰে চাকৰিয়ালে সমগ্ৰ জনতাই চিপাহী চন্তৰী সকলোৱে আমাৰ পৰিকল্পনাৰ উদ্দেশ্য সাধন কৰিবলৈ আৰু তাক কাৰ্য্যকৰী কৰিবলৈ কাম হাতত লৈছে।

কিন্তু আজি দুখৰ কথা হৈছে যে আমাৰ দেশৰ বিশেষকৈ অসমৰ ক্ষেত্ৰত শতকৰা ৮০ জন মানুহেই কৃষি জীৱি আৰু এই বিৰাট সংখক লোক আজি জীৱন ধাৰণাৰ মানদণ্ডৰ তলত আছে গতিকে তেওঁলোকে কৃষিৰ কৰ্ম্মতেই হওক বা নিজৰ আন আন দৈনন্দিন কামত আগবাঢ়িব পৰা নাই। সেই কাৰণে চৰকাৰে সেই বিষয়টো নিতান্তই চিন্তা কৰা উচিত হব। কিয়নো আজি এহাল গৰু কিনিবলৈ এজন খেতিয়কক প্ৰায় ১০০০ টকা লাগে তাৰে আকৌ খেতি-বাতি কৰি উৎপাদন কৰি সেই খিনিৰে নিজৰ ভাতসাজ উলিয়াৰ বাহিৰেও নিজৰ লাগতিয়াল বয়-বস্তু, কাপোৰ-কানি আৰু কৃষিৰ যাবতীয় হাতিয়াৰ ইত্যাদি কিনি

নোৱাতো অসম্ভৱ হৈ পৰে। গতিকে এনেবিলাক কথাৰ প্ৰতি দৃষ্টি ৰাখি চৰকাৰে আমাৰ দুখীয়া খেতিয়ক সকললৈ আৰ্থিক সাহাৰ্য্য আগবঢ়োৱাৰ লগতে কৃষি সা-সজুলী, সাৰ ইত্যাদি সময়মতে যোগান ধৰিব লাগে।

বহু সময়ত দেখা যায় খেতিয়ক সকলে সময় মতে খেতিৰ কঠিয়া নচতিওৱাৰ ফলত বহু সময়ত খেতিৰ ফচল পোৱাৰ পৰা বঞ্চিত হব লগা হয়। ৬ মাহৰ আগতেই কৃষক সকলে খেতিৰ বাবে আগধন লৈ ব্যস্ত থাকিব লাগে বা প্ৰস্তুত হৈ থাকিব লগীয়া হয় কিয়নো আহুধান সিচি ধান তোলাৰ লগে লগে আকৌ শালি ধানৰ কঠিয়া পেলাবৰ দিন আহি যায় গতিকে ঠিক মতে চাই চিতি সময় মতে খেতিয়ক সকলে চৰকাৰৰ পৰা সহায় নাপালে পিছত পালে সেই সহায়ৰ পৰা খেতিয়কৰ কোনো কামত নাহে। কামৰূপ জিলাৰ উত্তৰ পাৰত আহু ধানৰ খেতি বৰ ভাল হয় আৰু প্ৰচুৰ পৰিমানে হয় শাওন-ভাদ মাহত শালি খেতি কৰা হয়। আজি শতকৰা ৮০ জন জনসংখ্যাৰ এই খেতিয়ক শ্ৰেণীতে যি সকলে কেৱল কৃষিৰ ওপৰতেই নিৰ্ভৰ কৰি জীৱন নিৰ্ব্বাহ কৰিছে সেই সকলক চৰকাৰে সকলো প্ৰয়োজনীয় সা-সুবিধা, আৰ্থিক সাহাৰ্য্য মঞ্জুৰী উন্নত ধৰণৰ বীজ আৰু সাৰ ইত্যাদি প্ৰায় ৬ মাহ মান আগৰে পৰা যোগান ধৰাৰ কাৰণে চৰকাৰক অনুৰোধ জনাইছো, কিয়নো যদি সময়মতে এই কৃষক সকলক বিশেষকৈ উত্তৰ কামৰূপৰ বিৰাট অঞ্চলত খেতি কৰা খেতিয়ক সকলক সহায় কৰিলে সমগ্ৰ ৰাজ্যকে খুৱাব পৰা হব।

যত এনেকৈ ২০।২৫ হেজাৰ বিঘা মাটিত খেতি কৰা হয়, তাত সাৰৰ যোগান ধৰাটো অতি আৱশ্যক। বহাগ মাহত আহুধানৰ কঠিয়া সিঁচা হয় আৰু সেইটো শাওন-ভাদ মাহত কাটে। তাক আহু ফৰমা বুলি কয় আৰু এইটো অতি সুন্দৰ খেতি হয়। এই খেতিত কোনো সাৰ নিদিয়াকৈয়ে বিঘাত সহজে ১২ মোন ধান পাব পাৰি। এই বছৰ মোৰ সমষ্টিত কেইবাহাজাৰ কুইন্টল ধান সংগ্ৰহিত হৈছে। অকল বৰমা আৰু জালাহ, মছলপুৰ মাৰ্কেটিং চচাইটিয়ে ১০ হেজাৰ কুইন্টল ধান সংগ্ৰহ কৰিছে। তাৰোপৰি মছলপুৰ অঞ্চলৰ পৰা ৫২ হেজাৰ কুন্টল ধান সংগ্ৰহ কৰিছে। কাজেই দেখা যায় যে এটা সমষ্টিৰ পৰাই যদি ইমান ধান সংগ্ৰহিত হয় তেনেহলে চৰকাৰে পানী আৰু সাৰৰ যোগান ধৰিলে আৰু দুগুন উৎপাদনৰ ক্ষেত্ৰত আগবাঢ়ি যাব পাৰিব আৰু দুখীয়া পৰিয়াল বিলাকৰ ভৰণ-পোষণ দি আৰ্থিক উপাৰ্জনৰ ক্ষেত্ৰত সহায় কৰিব পাৰিব।

গুৱাহাটীৰ দৰে এখন চহৰক ৪ লাখ জনবসতিৰে পৰিপুৰ্ণ এখন নগৰত বহুতো কুইন্টল চাউল যোগান ধৰিব লগা হয়। গতিকে অকল এটা অঞ্চলৰ পৰাই যদি একলাখ কুইন্টল ধান পাব পাৰি তেনেহলে চাউল যোগান ধৰিবলৈ সহজ হব। সেইকাৰণে আমাৰ চৰকাৰে কৃষি বিভাগৰ বিষয়া সকলক ভালদৰে কাম কৰিবলৈ উৎসাহ দিব লাগে। কাৰণ আমাৰ উন্নয়ন কেণ্ডত যিবিলাক কৃষি বিষয়া আছে তেওঁলোকৰ কৃষি আৰু কৃষকৰ লগত কোনো সম্বন্ধ নোহোৱা হৈছে। তেওঁলোকে কি কৰিব লাগে আৰু বিভাগে কি কৰিব লাগে সেইটো দায়িত্ব এতিয়ালৈকে বুজি উঠা নাই আৰু উপলব্ধি কৰিবলৈ চেষ্টা কৰা নাই। সেই কাৰণে চৰকাৰক মই অনুৰোধ কৰিছো যে এই বিষয়ত বিষয়া সকলে কৃষকৰ লগত যোগাযোগ কৰি অধিক শস্য উৎপাদন কৰিবলৈ চেষ্টা কৰে।

আজি দেখা যায় যে ঠায়ে ঠায়ে চৰকাৰে জলসিঞ্চনৰ ব্যৱস্থা কৰিছে। যি বিলাকত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰিছে সেইবিলাকত উৎপাদন ভাল হৈছে। ভুমকি আৰু বজালী অথাৎ কেৱল এখন চাপাগুৰী মৌজাৰ ভিতৰতেই জলসিঞ্চনৰ দ্বাৰা উৎপাদিত শস্যৰ বহু কুন্টল ধান চৰকাৰে সংগ্ৰহ কৰিবলৈ পাইছে। তাৰোপৰি বাহিৰা বেপাৰী বিলাকেও সেই মৌজাৰ পৰা বহুত ধান সংগ্ৰহ কৰিছে। সেই কাৰণে মই ভাবো আমাৰ চৰকাৰৰ কৃষিবিভাগৰ যিবিলাক জলসিঞ্চন ব্যৱস্থা আছে সেইবিলাক ই, এণ্ড, ডি বিভাগলৈ হস্তান্তৰ কৰিছে। কাৰণ এই বিভাগত ভাল ভাল এক্সপাৰ্ট ইঞ্জিনিয়াৰ আছে—তেওঁলোকে ভালদৰে কামটো সমাধা কৰিব পাৰিব। আমাৰ যি ঠাইত নদী আছে তাত উত্তোলন জলসিঞ্চনৰ ব্যৱস্থা কৰি পানী যোগানৰ ব্যৱস্থা কৰিব লাগে। মোৰ সমষ্টিত নটা ইউনিট আছিল কাৰণে খেতি ভাল ৰকমে হৈাছল। এইদৰে উৎপাদন হলে আমাৰ অভাৱ বহু পৰিমানে কমি যাব। অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত মৰা পাগলাদিয়া নদীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰাৰ উপক্ৰম হৈছে। কাৰণ আগৰবাৰ পশ্চিম ফালে ভাঙিছিল, এতিয়া পুবফালে ভাঙি ৰাষ্ট্ৰীয়পথৰ ওচৰ পাইছেহি। মই কেইবাজনো মন্ত্ৰীক উত্তৰ কামৰূপলৈ যাওতে দেখুৱাইছিলো। টিহুলৈ মৰাপাগলাদিয়াই খান্দি যাব ধৰিছে। ৰাস্তাইদি দিনে দিনে হাজাৰ হাজাৰ গাড়ী মটৰ চলে। গতিকে মাটিখিনি বহি যোৱাৰ সম্ভাৱনাই বেচি আছে। এই ক্ষেত্ৰত বিহীত ব্যৱস্থা লবলৈ মই ই, এণ্ড, ডি বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। নহলে আমাৰ ১০ হাজাৰ বিঘা মাটিৰ শস্য অথলে যাব। অহা মাৰ্চ মাহৰ আগত বিহীত ব্যৱস্থা লবলৈ মই বিশেষ ভাৱে অনুৰোধ কৰিলো।

At 4—15 p.m. Mr. Speaker vacated the chair and Mr. Deputy Speaker occupied it.

উপাধ্যক্ষ মহোদয়, সিদিনা নাৰ্জাৰি ডাঙৰীয়াই কৈছে যে কোকৰাঝাৰত গ্ৰেপ্তাৰ কৰাৰ ক্ষেত্ৰত কংগ্ৰেছৰ চেলা কিছুমানে হাৰাশাস্তি কৰিছে। এইটো কথা হব নোৱাৰে। মহোদয়, মহাত্মাগান্ধীৰ আদৰ্শত যিটো আমি অহিংসাৰ নীতি গ্ৰহন কৰিছো সেই মতে এইটো হব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, সেই কাৰণেই কৈছো এইটো এটা মিছা কথা। এটা ভুল আৰু অবান্তৰ কথা। কিয়নো আমি কংগ্ৰেছ দলৰ পৰা আমি স্বাধীনতাৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিছিলো। সংগ্ৰাম কৰিছিলো গতিকে তেনেকুৱা এটা অবান্তৰ কথা নোকোৱাই ভাল আছিল।

উপাধ্যক্ষ মহোদয়, আমি বিচাৰো দেশখনৰ শান্তি আৰু প্ৰগতি আৰু এইটো অসমৰ প্ৰত্যেক জনসাধাৰণেই বিচাৰে। এতিয়া মথাউৰি বিলাক ভাঙি আছে এই কেইদিনৰ ভিতৰতে যদি মথাউৰি বিলাক মেৰামতিৰ কাম আৰম্ভ কৰা নহয় তেনেহলে পিচত বিপদ হব পাৰে গতিকে এতিয়াৰ পৰাই সজাগ হৈ লোৱা ভাল। যাতে প্ৰবল বানপানীত পৰিব নালাগে তাৰ কাৰণে চোকা নজৰ দিবলৈ মই চৰকাৰক অনুৰোধ জনালো।

উপাধ্যক্ষ মহোদয়, এতিয়াও দেখিছো আমাৰ উত্তৰ কামৰূপত বিশেষকৈ মোৰ সমষ্টিতে মেলেৰিয়া জ্বৰৰ প্ৰাদুৰ্ভাৱ কমা নাই। এশ তিনি ডিগ্ৰী পৰ্য্যন্ত জ্বৰ উঠে। অৱশ্যে আগতে আমাৰো মেলেৰিয়া জ্বৰ হৈছিল কিন্তু আমি সেই জ্বৰ

থাকিলেও ভাত খাইছিলো কিন্তু আজিৰ মানুহৰ গাঁত সেই তেজ নাই। গতিকে সেই অঞ্চল বিলাকত বিশেষকৈ মই জানো সুবৰ্ণথাটাত এঘৰ মানুহৰ ৯ জন মানুহৰ পাচ জনেই এমাহৰ ভিতৰতে মৰিছে মেলেৰিয়া আৰু তেজ হাগনি হৈ। তেওঁ নিজে কৈছে যে ঘৰত থাকিবলৈ ভয় লাগে কাৰণে তেওঁ হেনো আন লোকৰ ঘৰত আছেগৈ। তেওঁৰ পৰিবাৰ ভায়েকৰ লৰা-ছোৱালীৰে সৈতে পাচ জন এমাহৰ ভিতৰতে মৰিছে। মেলেৰীয়া জ্বৰ আকৌ পুৰণা হলে কলাজ্বৰলৈ ৰূপান্তৰ হয়। মানুহ জন কলা পৰি যায়। মই দেখিছো মোৰ আগতেই এজন ধান কাটিবলৈ যাবলৈ ওলাওঁতেই জ্বৰ উঠিল। তেওঁ লোকৰ খোৱা পানীৰ কাৰণে ভাল পানীৰ ব্যৱস্থা নাই জুৰিৰ পানী খাই আছে। এটা কুঁৱা বহুৱাবলৈও ত্ৰিশ আঠেশ ফুট বহুৱাব লাগে। তাৰ কাৰণে আকৌ লাগে দুই বাৰ হেজাৰ টকা। পানীৰ অভাৱত তিনি চাৰিদিনলৈকে গা নুধুৰে। আমাৰ এইবাৰ প্লেনিং চেলত পাইপ লাইনৰ ব্যৱস্থা কৰি পানী দিয়াৰ এটা প্লেন লোৱা হৈছে যদি কাৰ্য্যকৰী কৰিব পৰা যায়।

উপাধ্যক্ষ: আৰু কিমান সময় লাগিব ?

শ্ৰীসুৰেণ দাস: বেছি দীঘলীয়া নকৰো। কেন্দ্ৰীয় চৰকাৰৰ বা অন্যান্য ৰাজ্য চৰকাৰ সমূহৰ কুটিৰ শিল্পৰ প্ৰতি আগ্ৰহ দেখা গৈছে কিন্তু আমাৰ অসমৰ ক্ষেত্ৰত কুটীৰ শিল্পৰ কাৰণে বিশেষ নজৰ কৰা যেন নালাগে। মই চৰকাৰক অনুৰোধ কৰো এই বিষয়ত চোকা দৃষ্টি দিবলৈ। কিয়নো যদিও ১৯৫৩ চনতেই আমাৰ খাদী বোৰ্ড গঠন কৰা হল তথাপি বাহিৰৰ পৰা কাপোৰ আদি আনিহে আমাৰ খাদী ভাণ্ডাৰ সজাই ৰাখিছে আমি সেই বিলাক সাধাৰণ ৰাইজে গম নাপাও আমি যদি এৰি-মুগা-পাত এই কেইটা বস্তুৰ কাৰণে অলপ জোৰ দিব পাৰো তেতিয়াহলে গাওঁৰ দুখীয়া শিপিনি সকলে নিজৰ জীৱিকা নিৰ্ব্বাহ কৰাৰ উপৰিও মাহেকত এটা ভাল অংশ জমাব পাৰিব। নতুন ধৰণৰ কোনো চৰ্খা আভিলৈ বাহিৰ নহল যদিও পুৰণা ধৰণৰ চৰ্খাৰে সূতা কটাকে সহায় কৰিব পাৰিলেও অত্যন্ত লাভবান হব পৰা হব। আমাৰ সেই বিলাক অঞ্চলত ভূটিয়া বিলাকে ত্ৰিশ গ্ৰাম জলকীয়া দি বহুত পৰিমাণৰ এড়িবীহ কোন লৈ যায়। তেওঁবিলাকে কাপোৰ কানি পিন্ধাতহে অলপ কিবা ধৰণৰ কিন্তু বুদ্ধিত আমাৰ ৰহিজতকৈ ওপৰত। গাঁৱো পাহাৰৰ পৰা কপোন আনি দিয়াৰ পৰা কোনো কামত নাহে যদিহে নিজৰ দেশত উৎপাদন নহয় চাবচিডি বা সহায় হিচাবে শিপিনি সকলক কিবা এটা ব্যৱস্থা সাহাৰ্য্য ব্যৱস্থা কৰিব লাগে। প্ৰতি জোৰা এৰি কাপোৰৰ দাম এতিয়া ১৫০ টকাকৈ হৈছে গতিকে এৰি বাহ ঠিক মতে যোগান ধৰিব পৰা হলে শিপিনী সকলে নিশ্চয় মাহেকত বিক্ৰী কৰিও নিজৰ জীৱিকা নিৰ্ব্বাহ কৰিব পাৰিলেহেতেন। মই এই বিষয়টোলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

উপাধ্যক্ষ: চমু কৰক।

শ্ৰীসুৰেন দাস: ঠিক তেনেকৈয়ে যদি আমাৰ খাদী বৰ্ডে যদি উৎপাদন বঢ়াবলৈ লয় তেন্তে শিপিনী সকলে নিশ্চয় আগবাঢ়িব। মই ভাবো ৰাজ্যিক খাদী বৰ্ডে কেন্দ্ৰীয় খাদি বৰ্ডৰ পৰা যথেষ্ট টকা পায়। তেলৰ ক্ষেত্ৰত সৰিয়হৰ দাম ৭০ টকাৰ পৰা ১০৫ টকা হৈছে। পোন্ধৰ দিনৰ ভিতৰতে ৪৫ টকা বাঢ়িল, মিঠা তেলৰ দাম ৭.৭৫ ৰ পৰা ১০ টকালৈ বাঢ়িল। মিঠাতেলৰ দাম যি দৰে নিয়ন্ত্ৰন

কৰিব লাগিছিল সেই দৰে নকবাৰ ফলত এনেদৰে দাম বাঢ়িব ধৰিছে। বিশেষকৈ কেৰাচিন তেলৰ দাম ঠায়ে ঠায়ে লিটাৰত ছুটকালৈ বাঢ়িছে। অথচ আমাৰ ডিপু বিলাকৰ পৰা অহৰহ তেল বাহিৰলৈ গৈয়ে আছে। কিছুমান ঠাইত মম বাতিও পাবলৈ নোহোৱা হৈছে। এই বিলাক কথাৰ প্ৰতি চৰকাৰে চোকা নজৰ ৰাখিব লাগে আৰু ফেয়াৰ প্ৰাইচ চপৰ যোগেদি কাৰাচিন তেলৰ যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। তেনে কৰিলেহে আমাৰ দুখীয়া জনসাধাৰণ দুৰ্যোগৰ পৰা হাত সাৰিব পাৰিব বুলি মই ভাবো আৰু এই বিলাক কথাৰ প্ৰতি চোকা দৃষ্টি ৰাখি এটা সুব্যৱস্থা কৰিব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Shri Sarat Chandra Sinha (Chief Minister): Mr. Deputy Speaker, Sir, with your permission, I beg to make a statement on an unfortunate incident that occurred at Dimarupathar on 11.2.74 in the course of eviction operation in Kaki Reserved Forest. At about 10 A.M. on the said date, while the Forest Ranger accompanied by 30 Home-guards, was carrying out an eviction operation, about 500 violent encroachers, armed with deadly weapons attacked the eviction party. The Home-guards, thereupon, opened fire in self defence as a result of which 6 encroachers were injured. The mob then dispersed. 5 of the injured persons have been admitted in Nowgong Civil Hospital for treatment. One of the injured, named Safar Ali subsequently succumbed to his injurty at Nowgong Civil Hospital on the afternoon of yesterday. The injuries of other persons are reported to be not serious and their conditions are improving. A magesterial enquiry has been ordered by the Deputy Commissioner, Nowgong and the situation is now peaceful. It may be mentioned here that large scale encroachment of Kaki Reserved Forest land has been continuing since some years past and the Government as a general policy of clearing the encroachments from the Reserved Forests decided to evict the encroachers from the area.

শ্ৰীঅযোধ্যা ৰাম দাস : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য জনাই যি ধন্যবাদ সূচক প্ৰস্তাৱ দাঙি ধৰিছে তাৰ সমৰ্থনত মই কব বিচাৰিছো যে আমাৰ ৰাজ্যপাল গৰাকীয়ে তেখেতৰ ভাষণৰ জড়িয়তে যোৱা বছৰটোত আমাৰ ৰাজ্যখনত কি কি কাম কৰা হ'ল আৰু অহাবছৰটোত কি কি কাম কৰা হব তাৰ ইঙ্গিত দিছে। ৰাজ্যপালজনে তেখেতৰ ভাষণত উল্লেখ কৰা কেইটামান কথাত মই নথৈ সুখী হৈছো যি কেইটা কথাৰ লগত ৰাজ্যখনৰ এক কোটি জনতাৰ ভাগ্য জড়িত হৈ আছে আৰু যিখন ৰাজ্যৰ

জনতাৰ আৰ্থিক উন্নয়ণৰ কাৰণে চৰকাৰে নানা আঁচনি যুগুত কৰিছে। আমাৰ এই চৰকাৰ খনে দায়িত্বভাৰ বহন কৰা নৌ তিনিবছৰ হওঁতেই যিবিলাক উল্লেখ যোগ্য কাম কৰিছে সেই কথা ৰাজ্যপালে তেখেতৰ ভাষণত উল্লেখ কৰাৰ বাবে তেখেত আমাৰ ধন্যবাদৰ পাত্ৰ। আমাৰ কিছুমান সদস্যই তেখেতসকলৰ ভাষণত ৰাজ্যখনত ঘটি থকা সমস্যাসমূহৰ কথা উল্লেখ কৰি উদ্বেগ প্ৰকাশ কৰিছে আৰু কোনো কোনোৱে বিৰূপ সমালোচনাও কৰিছে। এইটো কথা ঠিক যে আমাৰ এই বিভিন্ন ভাষা-ভাষীৰ ৰাজ্যখনৰ দায়িত্ব লোৱা চৰকাৰৰ দায়িত্ব যিমান গধূৰ তাক পালন কৰাও সিমান গধূৰ। সেইকাৰণে চৰকাৰৰ নীতিবিলাক আলোচনা—বিলোচনা আৰু সমালোচনা কৰিলেই আমাৰ দায়িত্ব সমাপন হ'ল বুলি ভাবিলে নহব, ৰাজ্যখনৰ মঙ্গলৰ বাবে চৰকাৰে লোৱা আঁচনিবিলাক কাৰ্য্যত পৰিণত কৰিবলৈ হলে আমিও সমানে দায়িত্ব লব লাগিব। তেতিয়া হলেহে চৰকাৰে হাতত লোৱা আঁচনিবিলাক প্ৰকৃতাৰ্থত কাৰ্য্যকৰী হব।

আমাৰ চৰকাৰে অতি কম সময়ৰ ভিতৰতে আমাৰ ৰাজধানীৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰি আমাৰ বিধান সভাৰ অধিবেশন ইয়াত পাতিবলৈ সক্ষম হৈছে তাৰ বাবে নিশ্চয় আমাৰ চৰকাৰ ধন্যবাদৰ পাত্ৰ। আমি যি আলুগুটি খাওঁ সেয়া বিহাৰৰ পৰা অনা হয়, আৰু সেইয়া মানুহে যি মিঠাতেল ব্যৱহাৰ কৰে তাৰ বাবে যি সৰিয়হ দৰকাৰ হয় সেয়াৰ উৎপাদন আমি কৰিবলৈ এৰি দিছো। চেনিৰ কাৰণে আমি হাহাকাৰ কৰিছো, কিন্তু কুঁহিয়াৰৰ উৎপাদনৰ প্ৰতি আমি মন-কান এৰি দিছো। এইদৰে আমাৰ দেশখনৰ এটা সমস্যাৰ লগত আনটো সমস্যা জড়িত হৈ পৰিছে। এইবিলাক কথা আমি জানিও নজনাৰ ভাও জুৰিছো। সেইফালৰ পৰা চাবলৈ গলে আমাৰ দেশখন যি পৰিমাণ উন্নতিৰ পথত আগবাঢ়িব লাগিছিল সেই পৰিমাণ আগ বাঢ়িব পৰা নাই। ফলত আমাৰ দেশত বস্তুৰ দাম কল্পনা কৰিব নোৱাৰাকৈ বাঢ়ি গৈছে। যাৰ বাবে সমাজৰ এক শ্ৰেণীৰ লোকে সৰ্বসাধাৰণ জনসাধাৰণক নিষ্পেষণ কৰি তেওঁলোকৰ স্বাৰ্থ পূৰণ কৰাৰ সুযোগ লৈছে। আমাৰ ইয়াতে এই সকলো বিলাক কথাৰেই যে ইটোৰ লগত সিটোৰ সম্পৰ্ক আছে সেই কথা আমি নজনা নহয়, কিন্তু আমি জানিও এইবিলাক কথা সমালোচনা কৰি আহিছো। আমাৰ আঁচনি বিলাক কিয় কাৰ্য্যকৰী কৰিব পৰা নাই? আমাৰ আঁচনি বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে যি সহযোগ আগবঢ়াব লাগে সেই সহযোগ আগবঢ়োৱা নাই। তাৰ ফলতেই আজি বস্তুৰ দাম কল্পনা কৰিব নোৱাৰা ভাবে বৃদ্ধি হৈ গৈছে। চোৰাংকাৰবাৰী সকলে, মজুতদাৰ সকলে, লাভখোৰ সকলে আমাৰ এই দুৰ্বলতাৰ সুযোগ লৈ আমাৰ জনসাধাৰণক শোষণ কৰিব লাগিছে। আমাৰ চৰকাৰে যে বস্তুৰ মূল্য স্থিৰে ৰাখিব পৰা নাই সেই কথা আমিও স্বীকাৰ কৰিম। বস্তুৰ দাম স্থিৰে ৰখাটো চৰকাৰৰ দায়িত্ব আৰু কৰ্ত্তব্য। কিন্তু বস্তুৰ দাম স্থিৰেৰে ৰাখিবলৈ যে চৰকাৰে চেষ্টা কৰিছে সেইটো নোহোৱা নহয়। আমাৰ যি সকলৰ বুদ্ধি বেচি আছে, যি সকলে চৰকাৰৰ বিভিন্ন স্তৰত কাম কৰি আছে, যি সকলে শিল্পানুষ্ঠান বিলাকত কাম কৰি আছে, সেই সকলৰ দৰেই সুযোগ পালে সেই অনুষ্ঠান বিলাকত কাম কৰিব পৰাকৈ আমাৰ নাগৰিক সকলক শিক্ষিত কৰি তুলিব লাগিব। আমি কিছুমান কথালৈ বিশেষ ভাবে লক্ষ্য কৰিব লাগিব। অনুগ্ৰতে অসম চৰকাৰৰ ৩য় আৰু ৪ৰ্থ

শ্ৰেণীৰ কৰ্মচাৰী সকলৰ ধৰ্মঘট হৈ গল, তেওঁলোকৰ দাবী হল যে তেওঁলোকৰ বেতন বৃদ্ধি কৰি দিব লাগিব। তেওঁলোকৰ যদি বেতন বৃদ্ধি কৰি দিয়া হয় তেনেহলে তাৰ বোজা ৰাইজে বহন কৰিব লাগিব। আৰু ৰাইজৰ ওপৰত হেচা পৰিব। আৰু যদি বেতন বৃদ্ধি কৰা নহয় তেনেহলে আকৌ চৰকাৰক সমালোচনা কৰিব যে কিয় বেতন বৃদ্ধি কৰি দিয়া নাই। এইদৰেই প্ৰগতিৰ কাৰণে চৰকাৰে যি বিলাক আঁচনি লয় সেইবিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যি ভাবে সহায় কৰিব লাগে সেই ভাবে চৰকাৰে সহায় নাপায় তাৰ ঠাইত কিছুমান অবাঞ্চিত বাধাহে আহি পৰে। এইবিলাক অসুবিধা থকা স্বত্বেও আমাৰ চৰকাৰে শাসন লোৱাৰ দুই বছৰৰ ভিতৰত কিছুমান প্ৰগতিমূলক আঁচনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যথেষ্ট পৰিমানে আগবাঢ়ি গৈছে তাৰ কাৰণে মই ভাবো আমাৰ চৰকাৰ ধন্যবাদৰ পাত্ৰ। আজি ২৬ বছৰে ৰাজ্যখন উপনিবেশিক হিচাবে চলি আহিছে। আমি যদি দিচপুৰ পোষ্ট অফিচটোলৈকে চাও তেনেহলে দেখিবলৈ পাব যে যথেষ্ট সংখ্যক টকা এই পোষ্ট অফিচৰ দ্বাৰা বাহিৰলৈ গৈ আছে। এই দৰেই যদি দিচপুৰৰ পৰা সদায়েই টকা বাহিৰলৈ গৈ থাকে তেনেহলে এই দিচপুৰৰ কোনো দিনেই উন্নতি নহব। আজি যদি অসমৰ আৰ্থিক অৱস্থা আৰু প্ৰত্যেক পৰিয়ালৰ আৰ্থিক অৱস্থা উন্নতি কৰিবলৈ বিচাৰো তেনেহলে এই ক্ষেত্ৰত চৰকাৰে যি ভাবে আগবাঢ়িব লাগিব তাত প্ৰত্যেক মানুহেই অংশ গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত চৰকাৰে নিজৰ কৰ্ত্তব্য পালন কৰিবৰ কাৰণে মই দৃষ্টি আকৰ্ষণ কৰিলো।

আমাৰ দেশখন কৃষি প্ৰধান দেশ। কৃষিৰ উন্নতি কৰিবৰ কাৰণে প্ৰকৃত আঁচনি লব লাগিব। আমাৰ চৰকাৰে এই ক্ষেত্ৰত যি বিলাক আচনি লৈছে সেই আঁচনি বিলাকৰ বিৰোদ্ধে প্ৰতিক্ৰীয়াশীল মহলে বাধাৰ সৃষ্টি কৰিছে। চৰকাৰৰ জৰিয়তে দুখীয়া কৃষক সকলক হাজাৰ হাজাৰ টকা ঋণ দিয়াৰ ব্যৱস্থা আছে আৰু সেইদৰে দিয়া হৈছিল। কিন্তু তাৰ লগত পানী যোগান ব্যৱস্থা নথকাৰ কাৰণে এই কৃষকক দিয়া ঋণ বিলাকৰ পৰা উৎপাদন কাৰ্য্য সাধন কৰিব পৰা নাই বৰং কৃষক সকল ঋণগ্ৰস্ত হৈ পৰিছে। এইটো এটা বিৰাট সমস্যা। এই সমস্যাৰ সমাধান কৰিবলৈ চৰকাৰৰ দায়িত্ব আছে যদিও সেই সমস্যা সমাধান কৰা টান হব যদিহে জনসাধাৰণে ইয়াৰ সহযোগীতা নকৰে। গতিকে চৰকাৰৰ এই দায়িত্বৰ লগত সকলোৱে সমানে কাম কৰিব লাগিব। এই কৃষিৰ উন্নতিৰ কাৰণে মই কিছুমান পৰামৰ্শ আগবঢ়াব খুজিছো। উদাহৰণ স্বৰূপে হাৰিয়ানাৰ কথা কব খুজিছো। তাত কৰা ভাক্ৰা নাঙল প্ৰজেক্টটোত ২১০ কোটি টকা ব্যয় হৈছে। আৰু এই ভাক্ৰা নাঙল আচনিৰ পৰা সমগ্ৰ হাৰিয়ানা আৰু পাঞ্জাৱ এই দুইখন ৰাজ্যই পানী যোগান আৰু বিজুলি শক্তিৰ সহায় পাইছে। আৰু তেওঁলোকৰ অধিক শস্যৰ উৎপাদন কাৰ্য্যত সফলতা লাভ কৰিছে। আনহাতে আমাৰ অসমত ইমান বিলাক নদী নলা থকা স্বত্বেও সেইবিলাক নিয়ন্ত্ৰন কৰি তাৰ পৰা কাম কৰাৰ আঁচনি যি দৰে লব লাগিছিল সেইদৰে আমাৰ ইয়াত লোৱা হোৱা নাই। তাৰ ফলত পানী যোগান বা বিজুলি শক্তি উৎপাদানৰ সুবিধা দি গাওঁ ভুই বিলাকত কোনো ৰকমে কাম কৰিব পৰা নাই। সেই কাৰণেই মই উপাধ্যক্ষ মহোদয়, এই খিনিতে মই এই কথা উল্লেখ কৰিব খুজিছো যে ৰাজনৈতিক প্ৰভাবত পৰি আজি আমাৰ যি বিলাক মঠাউৰী বা বান্ধ কৰা

হল সেইবিলাক ঠিক সময়ত ঠিক ঠাইত দিব পৰা নাই। তাৰ ফলত এফালে পানীয়ে উতাই লৈ যায় আৰু আনফালে পানী নেহোৱা হয়। এই বিলাক এইদৰে নকৰি যদি ইয়াত থকা নদী উপনদী বিলাকৰ প্ৰকৃত নিয়ন্ত্ৰন ব্যৱস্থা চৰকাৰে ললেহেতেন তেতিয়াহলে তেনে আঁচনিৰ দ্বাৰা আমাৰ এই সমস্যা বিলাক সমাধান হলহেতেন। গতিকে এই নদী উপনদী বিলাক নিয়ন্ত্ৰন কৰিবলৈ আৱশ্যকীয় আচনি লৈ উপযুক্ত পৰিমানৰ ভুমি বিতৰণ কৰি ৰাইজক পানী যোগানৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আজি ব্ৰহ্মপুত্ৰ নদী বুকু খাণ্ডিবৰ কাৰণে দুখন ড্ৰেজাৰ অনা হৈছে বুলি কোৱা হৈছে আৰু তাত বহুত টকা ব্যয় হৈছে। কিন্তু কাম আৰম্ভ কৰিব পৰা নাই। আৰু আনহাতে এই ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰন কৰিব পাৰিলে বহুতো বিদ্যুৎ শক্তি উৎপাদিত হলহেতেন। কিন্তু দুখৰ বিষয় এই আঁচনিৰ কাৰণে যি অৰ্থৰ প্ৰয়োজন হব সেই অৰ্থ ভাৰত চৰকাৰৰ পৰা পোৱা নহব। সেই গতিকে এই ক্ষেত্ৰত মই চৰকাৰৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিলো। আৰু এটা কথা আমাৰ চৰকাৰে যি বিলাক নীতি লৈছে সেই বিলাক প্ৰকৃততে ভালেই। কিন্তু সেই নীতি অনুসৰি যেতিয়াই কাম কৰিবলৈ চৰকাৰ আগবাঢ়ে তেতিয়াই ৰাজ্যখনৰ বিভিন্ন চুকে কোনে প্ৰতিক্ৰীয়া হয়। আৰু দৰিদ্ৰতা মোচনৰ আচনি সমূহৰ বিৰোদ্ধে স্বাৰ্থ জৰিত ব্যৱসায়ী আৰু পুজিপতি সকল ওলাই আহে। যেতিয়া চৰকাৰে জনসাধাৰণৰ কল্যাণৰ কাৰণে ধান চাউলৰ পাইকাৰী ব্যৱসায় হাতত ললে তেতিয়াই এই স্বাৰ্থ জৰিত মহল বিলাকে তাৰ বিৰোদ্ধাচৰণ কৰিলে। এইটো কথা সকলোৱেই স্বীকাৰ কৰিব লাগিব যে এই বাধা স্বত্বেও চৰকাৰে যি বিলাক কাম কৰিছে তাৰ ভিতৰত সমগ্ৰ ৰাজ্যখনতে ৩ মাহৰ ভিতৰত ৩৬৩ খন সমবায় সমিতি গঠন কৰিলে আৰু তাৰ জৰিয়তে ধান চাউলৰ যোগান ধৰিছে।

মিঃ ডেপুটী স্পীকাৰ : আপোনাক আৰু কিমান সময় লাগিব ?

শ্ৰীঅযোধ্যা ৰাম দাস : মোক আৰু ১৫ মিনিট মান সময় লাগিব।

Mr. Dy. Speaker : The House stands adjourned till 10 a.m. tomorrow and Sri Das will continue.

## ADJOURNMENT

The House then rose at 5 p.m. and was adjourned till 10 A.M. on Thursday, the 14th February, 1974.

Dispur
13th February, 1974,

Shri P. D. Barua
Secy, Legislative Assembly
Assam